# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Calcutta (kolkata) | Publisher: Editor |
| Year: 1918 (1840 Sak) | Edition: |
| Size: 20 cms - 528 pages | Genre: magazine |
| Volumes: 9 (1, 2+3, 3+4) 5+6, 7+8, 9+10, 11+12 issues) | Condition of the original: Brittle. |
| Remarks: 8Ms10 | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

নবম বছৰ, জেঠ } বাঁহী { ১৮৪১ শক, ২য় সংখ্যা

## সম্পাদকৰ চৰা।

৫৩৫৯/আ:
১৫. ৬. ৯৯

স্ত্ৰীশিক্ষা আমাক লাগে, কিন্তু আজিকালি বঙ্গদেশত আৰু আসামত বালিকা-বিদ্যালয় আৰু বঙ্গদেশত বেথুন কলেজৰ নিচিনা কলেজ পাতি যি গঢ়ৰ শিক্ষা আমাৰ ছোৱালীবিলাকক দিয়া হৈছে, সেই বিধৰ শিক্ষাৰে আমাৰ গা নুজুৰায়। স্কুল কলেজত বৰ্ত্তমান প্ৰচলিত শিক্ষাৰ প্ৰকৃতি, পুৰুষক দিয়া শিক্ষাৰ প্ৰকৃতিৰ উনৈশ-বিশ মাথোন। স্ত্ৰীশিক্ষা এনে হোৱা উচিত যে সেই শিক্ষা তিৰুতাৰ জীৱন যাত্ৰা নিৰ্ব্বাহত যেন কামিলা হয়। তিৰুতাই এনে শিক্ষা পোৱা উচিত যে সেই শিক্ষাই যেন তিৰুতাৰ স্বভাৱসিদ্ধ ভূষণবোৰ নিখুঁটকৈ ৰাখি তাক সজীৱ সবল কৰি আৰু বঢ়াই দিয়ে; যেন সেই শিক্ষাই স্ত্ৰীজাতিসুলভ সৰলতা, লজ্জাশীলতা, কমনীয়তা প্ৰভৃতিৰ গুৰিত কুঠাৰ নামাৰে; যেন সেই শিক্ষাই তিৰুতাৰ মাতৃত্ব, ভৈনীত্ব আদি দিনৌ লাগ্যতিয়াল গুণবিলাকৰ পোষকতা কৰি, তেওঁলোকক পুৰুষৰ সাংসাৰিক আৰু আধ্যাত্মিক জীৱনত সৰ্ব্বতোভাবে সহায়ক হব পৰা কৰি তোলে। আমি কওঁ, তিৰুতাই মতালৰাৰ সহিত আজিকালিৰ অকামিলা "পাছ"বোৰ কৰি "ডিগ্ৰি" লৈ নিষ্কৰ্ম্মা আৰু কাৰ্য্যক্ষেত্ৰত অপদাৰ্থ হৈ থকাতকৈ আমাৰ আগৰ ঘৰুৱা শিক্ষাতে তেওঁলোক পাকৈত হৈ থকাটো হেজাৰ গুণে ভাল। ঈশ্বৰে তিৰুতা আৰু পুৰুষক সুকীয়া স্বভাৱৰ কৰি সৰ্জ্জন কৰিছে, সেইদেখি দুইকো একে বিধৰ শিক্ষাৰ সাঁচত মাৰিবলৈ যোৱাটো অস্বাভাৱিক কাৰ্য্য। তেনে কাৰ্য্যৰ দ্বাৰাই আমি ঈশ্বৰদত্ত স্বভাৱৰ তিৰুতাসকলক হেৰুৱাই তেওঁলোকৰ ঠাইত অস্বাভাৱিক মতা-তিৰুতা কিছুমানক আনি সুমাওঁ মাথোন।

***

আমাক বালিকা-বিদ্যালয়, আৰু তিৰুতাৰ নিমিত্তে কলেজ লাগে; কিন্তু

তাত এনেকুৱাবোৰ শিক্ষাৰ ব্যৱস্থা থাকিব লাগিব, যেনে—বস্তা-বঢ়াৰ প্ৰণালী শিক্ষা, Chemistry শিক্ষা, স্বাস্থ্যৰক্ষা, শৰীৰ পালন, আৰু শিশুপালন বিদ্যাশিক্ষা, Physiology শিক্ষা, ঘৰ-সংসাৰ চলাবৰ নিমিত্তে ছিচাপ-কিতাপৰ থা শিক্ষা, Home Economics, Household management, House saintation, বোৱা-কটা, ছবি আঁকা ; ঘৰ-দুৱাৰ সজাৰ আহি, Arts and Designs, Physical Training, English, Assamese. Mathematics, Nature Study, Botany, Vegetable gardening. ইংৰাজীত সাধাৰণ জ্ঞান হলেই আমাৰ বিশেষ একো কৰলৈ নাথাকিব। কিন্তু তেওঁলোকে অসমীয়া সাহিত্য, খাইকৈ পুৰণি অসমীয়া ৰামায়ণ আৰু মহাভাৰত তন্ন তন্নকৈ পঢ়াটো Compulsory হব লাগে। ইয়াৰ দ্বাৰাই ভাৰতৰ অমূল্য পুৰণি সভ্যতা আৰু জ্ঞান বিদ্যাৰ আদৰ্শৰ ভেটি তেওঁলোকৰ পক্ষে দৃঢ় হব।

৫৩৫৯/অ:

•••

ইয়াকে নকৰি, আমি মুখেৰে যিহকে কওঁ হঁক, কিন্তু কামত ছোৱালী-বিলাক ক লৰাৰ সাঁচত শিক্ষা দিবৰ দিহা কৰি ইকুল সিকুল দুইকুল বুৰাবৰ দিহা কৰিছোঁ যাথোন। লৰাবিলাকক মাথোন "ফিলজফৰ" আৰু "পয়েট" কৰি আমি যি কৰিব লাগে কৰিছো, সেই দুখ থবৰ ঠাই নাই। আজি কালিৰ শিক্ষা প্ৰণালীৰ ফলত ইউনিভৰ্চিটিৰ পৰীক্ষা পাছ কৰি আমাৰ উকিল, বাৰিষ্টৰ, নতুবা ডাক্তৰ, নাইবা ইঞ্জিনিয়ৰ, নাইবা স্কুলমাষ্টৰ, নাইবা কেৰাণী, এই কেইটা বাটত হে চকুপৰে ; তাৰ কাৰণ ; আৰু আন আন হেজাৰ বাট যে আমাৰ ডেকাসকলে খোজ দিবলৈ আছে, ইউনিভৰ্চিটিয়ে আৱিয়া থৰি সেই বাটবোৰ পোহৰাই তেওঁলোকক দেখুৱা নাই। ফলত. ওপৰত কোৱা বাট কেইটাত যাত্ৰীৰ বৰ ভিৰ, আৰু কামৰ লেথ যাত্ৰীতকৈ স্বভাৱতে তাকৰ হোৱা বাবে যাত্ৰীবোৰ হাবাথুৰি খাই কলমলাই ফুৰিছে।

•••

আমাৰ নেতাসকলে যদি জনচেৰেক পকা বেহেৰুৱা আৰু বিষয়-বুদ্ধিত পৈণত লোকৰ দ্বাৰাই, আমাৰ ভাৰতীয় ডেকালৈ কি কি openings বাট আছে, সেইবোৰ তন্ন তন্নকৈ দেখুৱাই এখন ভাল কিতাপ



লেখোৱাই, সেই কিতাপখন স্কুল কলেজত চলাই পঢ়ুৱাবৰ দিহা কৰে, তেন্তে এতিয়া বিবুধি-সাগৰত পৰি কক্‌বকাই থকা আমাৰ ডেকাসকলে ৰক্ষা পায় আৰু তেওঁলোকৰ চকু মুকলি হয়। এইটো বৰ লাগতিয়াল। কোনবাই এই কামটি কৰিবনে ? হে ঈশ্বৰ! তুমি কাৰো হৃদয়ত খুন্দিয়াই দি এই কামটি কৰোৱাই অন্ধক চকু দান কৰাঁ।

---

# শ্ৰীকৃষ্ণ-কথা।

আমি আগেয়ে অনেকবাৰ কৈ আহিছোঁ একমেবাদ্বিতীয়ং পৰব্ৰহ্ম বা পৰমেশ্বৰৰ দুটা বিভাব ( aspect) ; এটা নিৰ্গুণ আৰু আনটো সগুণ। নিৰ্গুণ ব্ৰহ্ম—"যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ" (তৈত্তিৰিয় উপনিষদ) অৰ্থাৎ বাক্য আৰু মনে যাক পাব নোৱাৰি উভতি আহে ; "অনাদ্যনন্তং মহতঃ পৰং ধ্ৰুবং" ( কঠ উপনিষদ ) "অণোৰণীয়ান্ মহতো মহীয়ান" ( শ্বেতাশ্বতৰ উপনিষদ ) তেওঁ অণুৰ অণু, মহানৰ মহান, "অশব্দমস্পৰ্শমৰূপমব্যয়ং ( কঠোপনিষদ ) অশব্দ অস্পৰ্শ অৰূপ অব্যয়. তেওঁ "অস্থুলম্ অনণু অহ্ৰস্বম অদীৰ্ঘম্ অলোহিতম্ অস্নেহম্ অচ্ছায়ম্ অতমঃ অবায়ু অনাকাশম্ অসঙ্গম্ অৰসম্ অগন্ধম্ অচক্ষুষ্কম্ অশ্ৰোত্ৰম্ অবাক্ অমনো অতেজস্কম্ অপ্ৰাণম্ অমুখম্ অমাত্ৰম্ অনন্তৰম্ অবাহ্যম্" (বৃহদাৰণ্যক উপনিষদ ) অৰ্থাৎ তেওঁ স্থুল নহয়, অণু নহয়, হ্ৰস্ব নহয়, দীৰ্ঘ নহয়, ৰঙা নহয়, ছাঁ নহয়, এন্ধাৰ নহয়. বতাহ নহয়, আকাশ নহয়, ৰস নহয়, শব্দ নহয়, গন্ধ নহয়, চকু নহয়, কাণ নহয়, সঙ্গ নহয়, বাক্য নহয়, মন নহয়, তেজ নহয়, প্ৰাণ নহয়, মুখ নহয়, মাত্ৰা নহয়, অন্তৰ নহয়, বাহিৰ নহয়, "নিষ্কলং নিষ্ক্ৰিয়ং শান্তং নিৰবদ্যং নিৰঞ্জনং" অৰ্থাৎ তেওঁ কোনো চিহ্ন বিহীন ; বৃহদাৰণ্যক উপনিষদে যাৰ চিনাকী "স এব নেতি নেতি আত্মা" অৰ্থাৎ তেওঁ এনে নহয়, তেনে নহয়, "নহ্যেতস্মাদ্ অন্যৎ পৰম্ অস্তি" তেওঁৰ বাহিৰে আৰু একো নাই. এইদৰে দিছে। অৰ্থাৎ ব্ৰহ্ম সকলো ৰকমৰ জ্ঞাত আৰু ব্যক্ত বস্তুৰপৰা সুকীয়া, অনিৰ্ব্বচনীয়, অজ্ঞেয় কিবা এক। সেই বাবে ব্ৰহ্মক নিৰঞ্জন বোলে, অৰ্থাৎ তেওঁ অঞ্জন বিহী ৷ অঞ্জন মানে চিহ্ন। অহঙ্কাৰকে আদি কৰি কোনো উপাধিয়ে তেওঁক চুই চিহ্নিত কৰিব নোৱাৰে।

"অহঙ্কাৰ আদি একোৱে উপাধি
কৰিতে নাপাৰে চিহ্ন।
সেহিসে কাৰণে মহন্ত সকলে
বোলে তাঙ্ক নিৰঞ্জন॥"— ঘোষা।

ধৰা এটা বকুল ফুল। তাৰ আকাৰ আছে, গোন্ধ আছে, বৰণ আছে, স্পৰ্শ আছে, সি এজোপা গছৰপৰা উৎপন্ন হৈছে, ইত্যাদি। বকুল ফুলটো এইবোৰ গুণৰ সমষ্টি মাথোন। কিন্তু যদি আমি ফুলটোৰ এই গুণবোৰ এটি এটিকৈ বাদ দিওঁ, তেন্তে কি বাকী থাকে? একো নাথাকে, থাকে শূন্য। সকলো বস্তু সকলো গুণকে নেতি নেতি কৰিলে শূন্যৰ বাহিৰে আৰু কি থাকে? এই শূন্যই ব্ৰহ্ম। কিন্তু যি এক হিচাপত শূন্য, আন হিচাপত সিয়েই পূৰ্ণ। গুণৰ ফালৰপৰা ব্ৰহ্মক শূন্য দেখিলেও অনন্তৰ ফালৰপৰা চালে ব্ৰহ্ম পূৰ্ণ, ব্ৰহ্ম নিৰঞ্জন। তেওঁ জ্ঞাতা নহয়, জ্ঞেয় নহয়, বিষয় নহয়, বিষয়ী নহয়, অণু নহয়, হ্ৰস্ব নহয়, সৎ নহয়, অসৎ নহয়, চিৎ নহয়, জড় নহয়; তেওঁত সকলো দ্বন্দ্বৰ চিৰসমন্বয়, তিনি গুণৰ সমন্বয়, দেশ কাল, কাৰণ কাৰ্য্য যেতিয়া তেওঁৰ ভিতৰতেই আছে, তেতিয়া দ্বৈতই বা কি অদ্বৈতই বা কি? তেওঁ Supreme unity of all contradiction. সাগৰ আৰু সাগৰৰ ঢৌ যেনেকৈ স্বকীয়া নহয়, সেইদৰে দেশ কাল আদিৰ সমন্ধৰহিত কোনো অসৎ অথচ সৎ বস্তুৰপৰা এই দ্বৈত অভিন্ন?

মনুষ্যৰ মন বুদ্ধি সসীম, সান্ত; যি বস্তু সীমাবিত, যাৰ অন্ত আছে, সেই বস্তু হে মন বুদ্ধিৰ বিষয় হব পাৰে। কিন্তু যি বস্তু অসীম, অনন্ত, মন বুদ্ধিৰ সেই বস্তু গোচৰ হব কেনেকৈ? "যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ", বাক্য আৰু মনে যাৰ ওচৰ পাবগৈ নোৱাৰে ব্ৰহ্ম তেনে বস্তু। "ন তত্ৰ চক্ষুৰ্গচ্ছতি ন বাক্ গচ্ছতি ন মনো ন বিদ্মো ন বিজানীমো যথৈতদনুশিষ্যাৎ"। ব্ৰহ্মই সকলোকে প্ৰকাশিত কৰে, ব্ৰহ্মৰ দ্বাৰাই যি প্ৰকাশিত সি ব্ৰহ্মক প্ৰকাশ কৰিব কেনেকৈ। সূৰ্য্যৰ পোহৰে জগতক পোহৰ কৰে, জগতে সূৰ্য্যক পোহৰ কৰিব নোৱাৰে। "অস্তীতি ব্ৰুবতোঽন্যত্ৰ কথং তদুপলভ্যতে", তেওঁ আছে এই মাথোন বোলা যায়, তাৰ অধিক উপলব্ধি নহয়। যোগজ মতিৰে (Intuition) তেওঁক জনা যায়। অৰ্থাৎ তেওঁ সমাধিৰে বোধগম্য হয়।



কিন্তু সমাধি-লভ্য যি ব্ৰহ্ম, সেই ব্ৰহ্ম ব্ৰহ্মৰ সবিশেষ ভাব। সমাধি দুবিধ; সবিকল্প আৰু নিৰ্ব্বিকল্প। সবিকল্প সমাধিত জ্ঞাতা জ্ঞেয় ধ্যাতা ধ্যেয়,দ্ৰষ্টা দৃশ্যৰ ভেদ থাকে: কিন্তু নিৰ্ব্বিকল্প সমাধিত সকলো ভেদ বুদ্ধি, সকলো দ্বৈতদৰ্শন গুচি যায়।

"মায়াতেসে দেখয় বিবিধ পৰিচ্ছেদ।
স্বৰূপত তোমাৰ নাহিকে কিছু ভেদ॥
চৈতন্য স্বৰূপে ব্যাপী এক নিৰঞ্জন।
তোমাক বুলিবে দ্বৈত কোন অজ্ঞজন॥"
শঙ্কৰদেৱ।

"সৰ্ব্বং খল্বিদং ব্ৰহ্ম।"

ওপৰত যে কৈ অহা গল, সি ব্ৰহ্মৰ নিৰ্গুণ, নিৰঞ্জন, নিৰ্ব্বিকল্প, নিৰ্ব্বিশেষ, নিৰুপাধি ভাব। এই দৰে যি ব্ৰহ্মৰ কথা কোৱা যায়, সেই aspect বা বিভাবক পৰব্ৰহ্ম বোলে। ব্ৰহ্মক যেতিয়া বিশেষণেৰে চিহ্নিত কৰা যায়, তেতিয়া তেওঁক সগুণ ব্ৰহ্ম বোলে। "মায়িনন্তু মহেশ্বৰং"; নিৰ্গুণ পৰব্ৰহ্মই যেতিয়া মায়া-উপাধি অঙ্গীকাৰ কৰি নিজক সঙ্কুচিত কৰে, তেতিয়া তেওঁ সবিশেষ, সবিকল্প, সোপাধিৰে সগুণ হয়। ব্ৰহ্মৰ এই বিভাবক মহেশ্বৰ বোলা যায়। শ্বেতাশ্বতৰ উপনিষদত সেইদেখি লেখিছে=

"যস্তূৰ্ণনাভ ইব তন্তুভিঃ প্ৰধানজৈঃ
স্বভাবতো দেব একঃ স্বমাবৃণোৎ॥

যেনেকৈ মকৰাই জাল গুথি নৈ নিজক আবৃত কৰে, সেইদৰে অদ্বিতীয় পৰব্ৰহ্মই প্ৰধানজ জালেৰে নিজক আবৃত কৰে। যেনেকৈ চকুৰে চাব নোৱাৰা সূৰ্য্যমণ্ডলক এডোখৰ ছাই-সনা কাচেৰে চালে সূৰ্য্যৰ তেজ সঙ্কুচিত হৈ সূৰ্য্য দৃষ্টিগোচৰ হয়, সেইদৰে ব্ৰহ্মই মায়া যবনিকাৰে নিজক আবৃত কৰি আমাৰ ধাৰণাৰ যোগ্য হয়। অনন্ত সমুদ্ৰৰ দুই অৱস্থা;—এটা নিবাত, নিষ্কম্প, প্ৰশান্ত ভাব, আনটো—বিক্ষুব্ধ, তৰঙ্গায়িত ভাব। প্ৰথমটো নিৰ্গুণ ব্ৰহ্মৰ বিভাব দ্বিতীয়টো সগুণ ব্ৰহ্ম বা পৰমেশ্বৰৰ বিভাব।

উপনিষদে সগুণ ব্ৰহ্মৰ দুৰকম লক্ষণৰ কথা কৈছে,—স্বৰূপ লক্ষণ আৰু তটস্থ লক্ষণ। যাৰ দ্বাৰাই আমি কোনো বস্তুৰ প্ৰকৃত চিনাকী পাওঁ,

সেইটোৱেই বস্তুৰ স্বৰূপ লক্ষণ। তটস্থ লক্ষণে বস্তুৰ অস্থায়ী গুণ নিৰ্দ্দেশ কৰি দিয়ে। উদাহৰণ স্বৰূপে কবলৈ গলে——মানুহে কথা কব পাৰে, বুদ্ধিবৃত্তি পৰিচালনা কৰিব পাৰে, এইবোৰ মানুহৰ স্বৰূপ লক্ষণ ; কিন্তু মানুহে সোৱাদ বস্তু খাবলৈ ভাল পোৱাটো বা গান শুনিবলৈ ভাল পোৱাটো তটস্থ লক্ষণ। ব্ৰহ্ম সচ্চিদানন্দ ; এইটো ব্ৰহ্মৰ স্বৰূপ লক্ষণ। শ্ৰীকৃষ্ণৰ নমস্কাৰ মন্ত্ৰত তেওঁক এই বুলি নমস্কাৰ কৰা হৈছে —"সচ্চিদানন্দৰূপায় কৃষ্ণায়াক্লিষ্ট কাৰিণে" অৰ্থাৎ সচ্চিদানন্দৰূপ অক্লিষ্টকৰ্ম্ম শ্ৰীকৃষ্ণক নমস্কাৰ। উপধি নহলে শক্তি প্ৰকাশ হব নোৱাৰে। জিভা নহলে কথা কোৱা শক্তি প্ৰকাশিত হব নোৱাৰে। পৰব্ৰহ্মত সৎ চিৎ আনন্দ শক্তি সদায় আছে, কিন্তু যেতিয়ালৈকে তেওঁ মায়া উপাধি গ্ৰহণ কৰি মহেশ্বৰ নহয়, তেতিয়ালৈকে সেই শক্তি প্ৰকাশিত নহয়। সৎ চিৎ আনন্দ শক্তি পৰব্ৰহ্মৰ স্বৰূপ লক্ষণ। "যতো বা ইমানি ভূতানি জায়ন্তে। যেন জাতানি জীবন্তি যৎ প্ৰযন্ত্যভি-সংবিশন্তি।" ( তৈত্তিৰীয় উপনিষদ ) অৰ্থাৎ যাৰপৰা এই ভূতসকল জাত হৈছে, জাত হৈ যাৰ দ্বাৰাই জীবিত আছে, আৰু অন্তকালত যাত লয় প্ৰাপ্ত হব, তেৱেঁই ব্ৰহ্ম। এইটো ব্ৰহ্মৰ তটস্থ লক্ষণ। এই তটস্থ লক্ষণৰ দ্বাৰাই ব্ৰহ্মৰ স্বৰূপৰ কোনো সম্ভেদ পোৱা নাযায়। মহেশ্বৰৰ সৃষ্টিস্থিতি আৰু প্ৰলয় কৰোঁতা কাৰ্য্যলৈ সুকীয়াকৈ চকু দি তেওঁৰ তিনি মূৰ্ত্তিৰ কল্পনা কৰা হৈছে ——ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰ। এই তিনি মূৰ্ত্তি একেজনাৰেই তিনি ৰকম বিকাশ। সেই জনেই কৃষ্ণ।

> কৃষ্ণ এক দেব দুঃখহাৰী, কালমায়াদিৰো অধিকাৰী,
> কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
> সৃষ্টিস্থিতি অন্তকাৰী দেৱ তাস্তবিনে আন নাহিকেৰ,
> জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ॥"
>
> —ঘোষা।

বেদে এই পৰব্ৰহ্মকে বিষ্ণু বুলিছে :—"তদ্বিষ্ণোঃ পৰমম্ পদংসদা পশ্যন্তি সুৰয়ঃ। দিবীব চক্ষুৰা ততং॥" অৰ্থাৎ চকুৱে যেনেকৈ আকাশত বিস্তৃত বস্তুক দৰ্শন কৰে, ব্ৰহ্মবিদ্ সুৰসকলে সেইদৰে সৰ্ব্বব্যাপী পৰব্ৰহ্মৰ পৰমপদ সদায় দৰ্শন কৰে। বিষ্ণু মানে সকলোতে ব্যাপনশীল ব্ৰহ্ম। চতুৰ্থ স্কন্ধ



ভাগৱতৰ ৭ম অধ্যায়ৰ ৪২ৰ পৰা ৪৮ শ্লোকলৈকে—সেইদেখি ভগৱন্তই দক্ষ প্ৰজাপতিক এইদৰে কৈছিল——"হে দক্ষ ! এই যে মই জগতৰ কাৰণ,আত্মা, ঈশ্বৰ, সাক্ষী, স্বপ্ৰকাশ আৰু উপাধিশূন্য, এই ময়েই ব্ৰহ্মা আৰু ময়েই হৰ। ময়েই গুণময়ী আত্মমায়াক আশ্ৰয় কৰি এই বিশ্বৰ সৃষ্টিস্থিতি ধ্বংসৰ নিমিত্তে কাৰ্য্য অনুসাৰে বিভিন্ন নাম ধাৰণ কৰোঁ। মই এক মাথোন অদ্বিতীয় পৰম ব্ৰহ্ম।" মুঠতে পৰব্ৰহ্মৰ যিটো নিৰ্ব্বিশেষ ভাব, সেইটো অনিৰ্দ্দেশ্য অবাচ্য, অলক্ষ্য। সগুণ ব্ৰহ্ম বা মহেশ্বৰ অজ্ঞেয় নহয় ; তেওঁ অগ্ৰ্যা বুদ্ধিৰ, বিশুদ্ধ মনৰ আৰু যোগ-সমাধিৰ গোচৰ। এই সগুণ ব্ৰহ্মকে ভাগৱতে ৮ম স্কন্ধৰ ৩২ অধ্যায়ৰ ৩ শ্লোকত নমস্কাৰ কৰি আৰু শৰণ লৈ কৈছে—

> "যস্মিন্নিদং যতশ্চেদং যেনেদং য ইদং স্বয়ম।
> যোহস্মাৎ পৰস্মাচ্চ পৰস্তং প্ৰপদ্যে স্বয়ংভুৱম॥

অৰ্থাৎ যাত এই বিশ্ব, যাৰপৰা এই বিশ্ব, যাৰ দ্বাৰাই বিশ্ব, যি স্বয়ং এই বিশ্ব, যি এই বিশ্বৰ বাহিৰৰো বাহিৰে সেই স্বয়ম্ভূৰ শৰণাপন্ন হওঁ। শ্বেতা-শ্বতৰ উপনিষদে কৈছে——

> "তমীশ্বৰাণাং পৰমং মহেশ্বৰং তং দেৱতানাং পৰমং চ দৈৱতম্।
> পতিং পতীনাং পৰমং পৰস্তাদ্ বিদাম দেবং ভুবনেশমীড্যম॥"
> সৰ্ব্বতঃ পাণিপাদং তৎ সৰ্ব্ব তোঽক্ষিশিৰোমুখম্।
> সৰ্ব্বতঃ শ্ৰুতি মল্লোকে সৰ্ব্বমাবৃত্য তিষ্ঠতি॥
> সৰ্ব্বেন্দ্ৰিয় গুণাভাসাং সৰ্ব্বেন্দ্ৰিয় বিবৰ্জ্জিতম্।
> সৰ্ব্বস্য প্ৰভুমীশানং সৰ্ব্বস্য শৰণং বৃহৎ॥

অৰ্থাৎ তেওঁৰ সৰ্ব্বত্ৰ কৰচৰণ, সৰ্ব্বত্ৰ শিৰ নয়ন, সৰ্ব্বত্ৰশ্ৰুতি-আনন, তেওঁ সমস্ত ব্যাপি আছে। তেওঁ সকলো ইন্দ্ৰিয় বিবৰ্জ্জিত, অথচ সকলো ইন্দ্ৰিয়ৰ গুণযুক্ত ; তেওঁ সকলোৰে প্ৰভু, মহেশ্বৰ, সকলোৰে বৃহৎ শৰণ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

## বৰবৰুৱাৰ চিঠি।

বৰবৰুৱা কৃপাবৰ সম্বলপুৰলৈ আহিছে, এই কথা বাইজে নাজানিলেও

খোদ বৰবৰুৱাই জানে, কাৰণ বৰবৰুৱা শ্ৰীযুত কৃপাবৰ চন্দ্ৰ সৰবজান। কেনেকুৱা সৰবজান, জানানে ? বোলোঁ,তাহানিৰ "বুঢ়ী আইৰ সাধুৰ" সেই বুঢ়া সৰবজান যি ডলাত পিঠাৰ সাঁচ দেখি লেখি লৈ, যৈণীয়েক বুঢ়ীয়ে বাৰ্ত্তি কেইটা পিঠা ভাজি কেইটা খাই কেইটা বুঢ়াই পুৱা খাবলৈ থৈছিল সেই সম্ভেদ পাই সেই ৰহস্য ভেদ কৰি, "আই হে কিনো কম, কিনো শুনিবি, বোলোঁ আমাৰ বুঢ়া সৰবজান" এই "চাৰ্টফিকেট—হল্ডাৰ" হল, অৰ্থাৎ যৈণীয়েক বুঢ়ীৰপৰা যি সৰবজানৰ এই চনদপত্ৰ পালে! এতেকে বৰবৰুৱা কৃপাবৰৰ যে সম্বলপুৰলৈ শুভাগমন হৈছে, এই সম্ভেদ পোৱা বৰবৰুৱা কৃপাবৰ যে স্বয়ং সৰবজান, তাত কোনেও কোনো খুকুৰিৰ পুখুৰী খানিব নোৱাৰে। ইয়াৰ উপৰি, বৰবৰুৱা কেনেকৈ সম্বলপুৰত পৰিলহি সেই খবৰবো ওৰাকিপ বৰবৰুৱা ডাঙৰীয়াৰ আছে। প্ৰথমতে তেওঁ চুচৰি অহা নাই, দ্বিতীয়তে বাগৰি অহা নাই, তৃতীয়তে আঠুকাঢ়ি অহা নাই, চতুৰ্থতে থিয়দত্তা দি অহা নাই, আৰু পঞ্চমতে, কৃষ্ণক চিন্তি, খোজকাঢ়ি, যাক সাধুসকলৰ ভাষাত পদব্ৰজে অহা বোলে, সেইদৰে অহা নাই। তেওঁ আহিল ৰেলেৰে, যি যানক, বৰবৰুৱাৰ ওচৰচুবুৰীয়া গাওঁবুঢ়ানী আলতী বাইৰ মাতেৰে কবলৈ গলে,—কেৰেলুৱাৰ নিচিনা লেল্‌পেল্‌ নিছিগা গাড়ীৰে।

বৰবৰুৱাৰ ৰেল-যাত্ৰাৰ কথা কবলৈ গলে অনেক কথা বাঢ়ি যায়, আৰু অনেক আচল কথা টুটি যায় ; সেইদেখি আজি সেই ছোৱাৰ সবিশেষ বৃত্তান্ত বিটংকৈ দিয়া নাযায়। বিশেষ ওপৰত কৈ অহা আমাৰ আলতী বাইৰ মতামতলৈ তেওঁ বৰ বাঘলৈ ভয় কৰাদি কৰে, কাৰণ অলেতী বাইৰ মুখত তেওঁৰ এই বৃত্তান্ত যদিস্যাৎ পৰে, তেন্তে বায়ে তাক আমাৰ আজিকালিৰ বাতৰি কাকতত গ্ৰন্থকাৰৰ কিতাপৰ সমালোচনা কৰাদি সমালোচনা কৰি টুকুৰাটুকুৰ আৰু খণ্ড-বিখণ্ড কৰি পেলাব, আৰু তাৰ উপৰি বৰবৰুৱাৰ নমা থব "কথা চোবোৱা বৰ কথকী"। মুঠতে সেইদেখি সংক্ষেপকৈ কওঁ যে, বৰবৰুৱাই সম্বলপুৰলৈ আহিবৰ নিমিত্তে পুথি-পাঁজি চাই প্ৰথম দিনা তেওঁৰ ঘৰখনৰপৰা ওলাই আহি তুলনীঘৰত শুলে ; দ্বিতীয় দিনা আমপাত আৰু আমডালেৰে মুখত টিংখপ, মৰা আৰু পানীৰে পূৰ কলহ ছুটা দুৱাৰ-মুখৰ দুই হাতে, মলুৱা বুঢ়া বান্দৰ দুটাৰ দৰে খম্ খম্ কৰে নিঃচিন্তমনে বহি কথা চাই, গৃহ পৰিত্যাগ কৰি, ৰেলৰ ষ্টেচনৰ অভিমুখে যাত্ৰা কৰিলে। সেই দিনা সিফালে তেওঁ ৰেলৰ ষ্টেচনৰ ওচৰতে, কাণত লগুণ তুলি লৈ নিবিষ্টমনে নিত্যকৃত্য সমাপন কৰি আঁতাই হস্ত-পদ প্ৰক্ষালন কৰি শুচি হৈ মন্ত্ৰ মাতি থাকোঁতেই ইফালে ৰেলগাড়ী আহিল, খন্তেক ৰল, সুহৰিয়ালে আৰু ঢাপলি মেলি গুচিগল, ডাঙৰীয়া বৰবৰুৱাই তাৰ ফালে মাথোন চকু মেলি ৰ লাগি চাই ৰল, আৰু তাৰ উত্তৰ্তালিৰ কথা দৰ্শন কৰি, স্বভাৱতে বিৰক্ত হৈ একাষাৰ মাথোন বাক্য ব্যক্ত কৰিলে ——"চাইক চোন, কি অন্যায়!"

তিতি বুৰি শিকি পণ্ডিত হৈ পণ্ডিতৰ অগ্ৰগণ্য বৰবৰুৱাই তৃতীয় দিনা আপদীয়া নিত্য কৰ্ম্ম-কিত্যকৰ্ম্ম যি কৰিব লগীয়া আছিল সোপাকে আগেয়েই সমাপন কৰি থৈ, ৰেল গাড়ি আহি যত লাগিব সেই খৰৰ উৰাদিহ পুঙ্খানুপুঙ্খৰূপে লৈ সেই থিনিতে ভলুকাবাইৰ গোজডাল থিয় হোৱাদি থিয় হৈ আছিল আৰু গাড়ী আহিলতে সুত্ কৰে গাড়ীত উঠি টিলিকি এটা মাৰিলে, যাৰ অৰ্থ :—আজিনো ভৈয়াই কত পলাব চাওঁ। বুঢ়াৰ হাতত ঢেঙেলি। কিন্তু হৰিষত বিষাদ, খন্তেকতে নাও বুৰিবৰ উপক্ৰম! গাড়ীৰ ভিতৰত তেওঁ দেখিলে এটা প্ৰকাণ্ড কাবুলী। কাবুলীটো যদিও তেতিয়াই গাড়ীৰপৰা ওলাই নামিল, কাৰণ নিশ্চয় তাৰ তাতে নামিবৰ কথা ; বৰবৰুৱাৰ বিপদ নগল। বোলোঁ, সি নামিলে কি হব সি যে ম্লেচ্ছ! আৰু সি সেই খোটালিৰ বেঞ্চত বহিছিল! কাবুলীটো যিখন বেঞ্চত বহিছিল, সেইখন নিশ্চয় অশুচি ; বেঞ্চখন গোবৰ-পানী চটিয়াই শুচি নকৰিলে তেওঁ সেই বেঞ্চৰে সৈতে তেওঁৰ শুচি ব্ৰাহ্মণ্য তপিনাৰ সংযোগ কৰে কেনেকৈ? তেওঁ তেওঁৰ লগুৱাটোক কলে "হেৰ কাতীয়া, যা লৰমাৰি, অলপ গোবৰ—পানী লৈ আহি ইয়াত চটিয়াই দে।" কাতীয়াই কলে "দেউতা, মই ইয়াত গোবৰ পানী কত পাম?" বৰবৰুৱাই ভেকাহি মাৰি দিলে "যা লৰি যা, যতে পাৱ তৰেপৰা আনগৈ। সৌ বাটৰ কাষতে বিচাৰিলে পাবি, কণা।" কাতীয়াই কি কৰে, লৰি গোবৰ আনিবলৈ গল, আৰু সি গোবৰ বিচাৰি ফুৰোঁতেই ইফালে ৰেল গাড়ী হুচ্ কৰে দিলে এৰি। বৰবৰুৱাই, খিঙিয়ালে, "কাতীয়া লৰি আহ! বাঘে-খোৱা লৰি আহ!" আৰু কোন লৰে, কোন আহে ? থাকিল কাতীয়া তাতে পৰি। লাভৰ ভিতৰত, বৰবৰুৱা লগুৱা-বিহীন হল।

৬—

মিকপায় বৰবৰুৱাই মনত ঘিণ আৰু হিয়াত "আপ্‌চোছ" লৈ, আপদীয়া অশুচি বেঞ্চত নবহি থিয় হৈয়ে, নেযাই—মুপুৰাই বাটখন আহি—আহি—আহি সম্বলপুৰ ষ্টেশন পালেহি। এই অৱস্থাতে আহোঁতে বৰবৰুৱাজীৱনত—কত কথা, কত ঘটনা ঘটিছিল, সেইবোৰৰ বৃত্তান্ত আজি দিয়া নাযায়, কাৰণ কথাৰ কাণ-খোৱা সেই আলতী বাইৰ কাণ বৰবৰুৱাৰ ফালে যে পোন হৈ নাই, তাৰ প্ৰমাণ কি ?

এটা কথা এই খিনিতে কৈ কাঢ়ি থওঁ যে, এই ঠেলা পাই শুচি-বায়ুৱা বৰবৰুৱাৰ শুচি-বায়ুটো ভালেমান সাম কাটিলে। কিন্তু কোনো এটা উপসৰ্গ একালে কমিলে আন কালে বাঢ়ে বুলি কয় ; প্ৰমাণ, বন্ধুবৰ টকক শৰ্ম্মাৰ পুত্ৰ বিমলেশ্বৰৰ মুৰৰ টিকনিৰ হ্ৰাস আৰু সমুখৰ চুলিৰ বৃদ্ধি। মোৰ বায়ু-ৰোগৰ অপশান্তি ঘটিল হয় পিত্ত প্ৰকোপ হৈ খংটো বাঢ়িল। তাৰ অনেক প্ৰমাণ মোৰ হাতত আছে। যাওক, সেই কথা। মুঠতে ইয়াকে কলেই হব, যে এনে বায়ুৱা মই মোৰ এতিয়া সেই ৰোগ ইমান দূৰ পিছহুহকি গল যে, তাৰে কৈতে একৰকম একেবাৰেই এৰাএৰি। আন কিআজিকালি অজাতিৰ হাতে ভাত খাবলৈকে মোৰ মন লিক্‌লিকোৱা হল। ই নিশ্চয় দেশ ভ্ৰমণৰ ফল। অন্ততঃ বৰবৰুৱাৰ পক্ষে। তেওঁৰ এটা ভ্ৰমণতেই এইখিনি, আৰু এটা ভ্ৰমণ তেওঁ কৰি উঁতালে, কিজানি অজাতিৰ পৰ্কান্ন ভোজন তেওঁ কৰিয়েই পেলাব।

সঁচাকৈয়ে বৰবৰুৱা সোঁশৰীৰেৰেই সম্বলপুৰ পালেঁহি। সঁচাকৈ বুলিছোঁ এইবাবে, যে সম্বলপুৰ নোপোৱালৈকে তেওঁৰ বিশ্বাস নহৈছিল যে তেওঁ সম্বলপুৰ পাবহি ; কাৰণ, শাস্ত্ৰ ত আছে—

"অশাশ্বত ধন জন সবে বিষ্ণুমায়া।
আকাশত প্ৰকাশে মেঘৰ যেন ছায়া ॥"

"খন্তেকৰ ভোজ খাওঁতে নাই" বুলি কথাতে কয় ; এতেকে মই সম্বলপুৰত ওলোৱাটো আচৰিত কথা নহয় নো কি ?—বিশেষ, যাত্ৰাৰ দিনৰেপৰা কত "হেঙ্গাম কত হুজ্জুৎ", যাৰ বিষয়ে ওপৰত এখুদমান আভাস দিয়া হৈছে মাত্ৰ। যি হওক, মই সম্বলপুৰ পায়েই মোৰ পেটাইক আদৰ কৰি পেটক পেটাই বুলিছোঁ, তুমি কথাবাৰত উত্তৰা নধৰিবা দেই।) মৃদুভাৱে চপৰিয়াই ধন্যবাদ এষাৰ দি কলোঁ—"বাঃ ৰে বাঃ। পেটাই ! তই সঁচাসঁচিকৈয়ে



ভগৱন্তৰ ভৱিষ্যত দশম অৱতাৰৰ ঠাই সম্বলপুৰ পালিহি দেখোন ! জীতে ৰহো ! তই ভালে থাকিলে আৰু কত কাম কৰিব পাৰিবি ! তোৰ জীৱনত ডাঙৰ ডাঙৰ কামৰ আশা ফলিয়াবৰ সম্ভৱ ( Great possibilites ) নিশ্চয় আছে।" এই বুলিয়েই ৰেলগাড়ীৰপৰা ওলাই, এক জাপেই প্লেটফৰ্মত পৰিলোঁ। উছাহত আৰু ভাগৰত ডাঙৰীয়া বৰবৰুৱাই কমাৰৰ বৰ ভাটিৰ নিচিনাকৈ ফোপাবলৈ ধৰিলে।

৫৩৫৯/অ:

এনেতে দেখিলোঁ, কলা চিকৃচিকীয়া ৰেকা খোপাৰে এজাক কেটোৰ কলী তিৰুতাই মোক বেঢ়ি ধৰিলে। প্ৰথমতে মই ভাবিলোঁ জুইত চগা পৰাদি জপিয়াই পৰিবলৈকে মোৰ ৰূপৰ জেউতি দেখি মোহ্ গৈ, এই কলী তিৰুতা-বোৰে মোক এইদৰে বেঢ়ি ধৰিছেনে কি ? থিতাতে এই কথা ভাবি, মোৰ মনত এনে এটা সন্তোষেৰে ঠাহ খোৱা অহঙ্কাৰ উপজিল, যে তাক কত ধম, কি কৰিম, চিন্তা কৰিবলৈ ধৰিলোঁ। কিন্তু অ মোৰ গোসাঁই ! অ মোৰ খোদাই ! মই ভবাটো নহয়, এই জাক ৰেলৰ যাত্ৰীৰ টোপোলাটাপলী বই-বস্তু বওঁতা কুলীহে—অৱশ্যে ইহঁত আমাৰ হেম বৰুৱাৰ ব্যাকৰণৰ নিয়ম অনুসাৰে স্ত্ৰীলিঙ্গ ; কিন্তু কাৰ্য্যত হলে পুংলিঙ্গৰ আজুককাক ! যি ডাঙৰ ডাঙৰ বোজা, হনুমন্তই গন্ধমাদন পৰ্ব্বত লোৱাদি ইহঁতে মূৰত তুলি লয়, দেখিলেই ভয় লাগে। সিহঁতে মোৰ শোৱাপাটীৰ মুৰাটো, লামলকটু থকা পেৰাটো আৰু বৰবৰুৱাৰ নিত্যসহচৰ সহযাত্ৰী—কাকতৰ টোপোলাটো, এই তিনটা বস্তু ধৰি সিহঁতৰ ভিতৰতে টনা-আজোৰা কৰি সেই কেইটাৰ কণ্‌কঠিয়া মাৰিছে। এতিয়া বুজিলোঁ, সিহঁতৰ নজৰ স্বয়ং বৰবৰুৱাৰ ফালে নহয়, বৰবৰুৱাৰ সৰ্ব্বস্বৰ ফালে হে ! মোৰ খং উঠিল। সেইটো হিৰণ্যকশিপুক সিকৰ্ম্মকৰোঁতা নৃসিংহৰ খং যেন খং—

"চকু পকাই দৈত্য অন্তকাৰী।
চেলেকন্ত জিহ্বায়ে কোবাৰি ॥"

ততালিকে মই Violent হৈ উঠি, চকু পকাই উগ্ৰমূৰ্ত্তি ধৰি, সিহঁতৰ হাতৰপৰা মোৰ সৰ্ব্বস্ব উদ্ধাৰ কৰি লৈ, "চুমাৰি" Summary বিচাৰ কৰি, সিহঁতৰে মাজৰপৰা দুজনীক pick up কৰি অৰ্থাৎ বাছি লৈ, মোৰ তিনটা বস্তু বাঁটি দিলোঁ। সেই কুলি ললনা ত্ৰিমূৰ্ত্তিয়ে সন্তোষৰ ঈষদ্ধাস্য প্ৰকাশ কৰিলে,

মই কৃতাৰ্থ হলোঁ। আৰু বাকী ললনাকুলে নিবাশ হৈ বিৰ্ বিৰ্কৈ মোক, সম্ভৱতঃ গালিকে পাৰিলে, যাৰ মানে "হেম-কোষে" যে বুজি নাপায়েই, আন কি, আমাৰ হাইস্কুলৰ হেডমাষ্টৰ আৰু "চেপেন্ মাষ্টৰেও" যে বুজি নাপায় এই কথা মই তেওঁলোকৰ আৰ হম বুলি শপত খাই কবলৈ সাজু আছোঁ।

এই উপদ্ৰৱৰ পিছত "টঙ্গাবালাৰ উপদ্ৰৱে মোক পালে। টঙ্গা মানে দুচকাৰ ওপৰত থিয় কৰি থোৱা একৰকম এই দেশী গাড়ী। এই ফালে এনে গাড়ীৰ হে প্ৰচলন। টঙ্গা ঘোঁৰাইও টানে, দুটা বলদগৰুৱেও টানে। বলদগৰুৰ টঙ্গা প্ৰথম শ্ৰেণীৰ আৰু ঘোঁৰাৰ টঙ্গা দ্বিতীয় বা তল শ্ৰেণীৰ। লাট চাহাব আৰু কামিশ্যনৰবেপৰা আৰম্ভ কৰি সাধাৰণ ভালমানুহে বলদগৰুৰ টঙ্গাক সমাদৰ কৰে আৰু ব্যৱহাৰৰ নিমিত্তে আপোন-গৃহত স্থান দিয়ে; ঘোঁৰাৰ টঙ্গা ৰেলৰ ষ্টেস্যনত ভেৰোনীয়াকৈ মানুহ অনা নিয়া কৰিবলৈ থাকে, আৰু ভেৰোণলৈ বিচাৰিলে তেনে টঙ্গাকে হে পোৱা যায়। এই দেশত গৰুৰ জিৎ, ঘোঁৰাৰ হাৰ।

বাস্তৱিকতে ঘোঁৰা হাৰিবই পায়। প্ৰায়ে দেখিবা ঘোঁৰাৰ টঙ্গাই বাটত যাওঁতে খকৰা-বিবাদ কৰি, পৃথক হৈ তিনিফালে তিনি ডোখৰ হৈ যাব খোজে আৰু কোনো কোনো সময়ত, সেই গৃহকন্দল ইমান দূৰ বেছি হয় যে বম্‌ডালেৰে সৈতে শ্ৰীমান বৰ-ঘোঁৰা আগভাগে, বেচেৰা সৰু ঘোঁৰা মাজু-ঘোঁৰা—পিছৰ ডোখৰক পৰিত্যাগ কৰি, অৰ্থাৎ কুটা ছিজি বাটতে এৰি থৈ ঘোঁৰাৰ পিছে পিছে গুচি যায়, আৰু বাগান্ধ হৈ ইমান "বেকুব" হয় যে নিলাজৰ দৰে ঘোঁৰাৰ লাথি খায়, নেজৰূপী বাঢ়নীৰ কোৰ খায়, তথাপি নিজৰ মান সম্ভ্ৰম পৰিহাৰ কৰি ঘোঁৰাৰ পিছে২ লৰিবলৈ নেৰে। আৰু সেই ঘোঁৰাৰ কথানো কি কম, কি শুনিবা?—কিবা বোলে নে, "জোৰৰো জোৰ, বিপৰীত জোৰ, এটি কাণ-কটা এটি চোৰ।" যেনে টঙ্গা গাড়ী, তেনে টঙ্গাৰ ঘোঁৰা। বোলো এনে উচ্চৈশ্ৰৱাৰ বংশধৰ ঘোটকৰাজ তুমি কতো দেখিবলৈ নোপোৱা, মাথোন বৰবৰুৱাৰ সম্প্ৰতিকৰ সম্বল সম্বলপুৰতে মাথোন পাবা। তাৰ বাত-ৰোগৰ ফলত ঠেং উখহা, অৰ্থাৎ ৰবিৰ ভাষাৰে কবলৈ গলে—টঙ্ক কৰীকৰ; পিত্ত প্ৰকোপৰ বাবে অৰখাপৰিৰ গুণত পেট ওফন্দা অৰ্থাৎ বঙ্গদেশৰ থুলন্তৰ আদহীয়া বয়সৰ বিয়নীৰ



নিচিনা; নেজ প্ৰায় গোবোৰা ছুই যোৱা, যি কথাৰ বৰ্ণনা, বঙ্গকবি দ্বিজু ৰায়ৰ ভাষাত এনে হয়—"ও তাৰ হেটুৰ নীচে চুলবে তাহৰ হেটুৰ নীচে চুল।" মূৰৰ আৰু গলধনৰ চুলি চাই সিহঁতক ঘোঁৰা নুবুলি একো একোজন জটীয়া সন্ন্যাসী বুলিব পাৰি, আৰু গাৰ ডাল ডাল কামিহাৰ দূৰবেপৰা দেখি, অৰখা-পৰিয়ে ধৰা তাদৈৰ মাকৰ সৰু সৰু লৰাছোৱালী কেইটাকে বুলিব পাৰি। সিহঁতৰ যেনে ৰূপ, তেনে চালন। আগফালে আগবঢ়াতকৈ সিহঁতৰ পিছফালে গাড়ী ঠেলিবলৈ হে মন বেছি যদিও, সিহঁতে ঘোঁৰাজন্মৰ সম্বল মুখেৰে হি—হি শবদ আৰু ঘা লগা উখহা ভৰিৰে লাথিৰ ব্যৱহাৰ নিখুটভাৱে ৰাখিছে। যাওক, সম্বলপুৰৰ এই ঘোঁৰা-সন্ন্যাসীদলৰ কথা আজি আৰু বহলাই লেখি, তোমাক আমনি নিদি, আজিলৈ "বড়া মুখে বড়া বেলি মাগিলে বিদায়" বুলি বিদায় মাগিলোঁ।

কৃপাবৰ বৰবৰুৱা।

---

# জিন্নু আৰু ডালিমী।

এটি মূল চৰিত্ৰৰে জিন্নু আৰু ডালিমী, দুটি নামত দুটি স্বকীয়া চৰিত্ৰ। ছেক্সপিয়েৰে কৈছে;—

What's in a name,
That which we call a rose
By any other name would smell as Sweet."

অৰ্থাৎ নামে কি কৰিব পাৰে, গোলাপক যি নামকে দি মাতা তথাপি সি গোলাপ যেনেই গোন্ধাব।

নাগ-বালা কাননৰ এই দুটি নামৰ কোনটি গোলাপ কেনে গোন্ধাইছে সেইটোকে শুঙ্গ চোৱাই এই প্ৰবন্ধৰ মূল উদ্দেশ্য।

ৰাজ্য-লোলুপ দুৰাচাৰ নৰঘাতী লৰা ৰজাই অকণ্টকে ৰাজ্য ভোগ কৰিবৰ মতলবেৰে দুৰভিসন্ধি পাতি যেতিয়া আহোম ৰাজ কৈদবোৰৰ সকলো

কোঁৱৰৰে অলক্ষত কবাই অহেশেৰত গদাপাণিক ধৰিবলৈ গুপ্তচৰ নিযুক্ত কৰে, তেতিয়া পতিপ্ৰাণা ভাৰ্য্যা জয়মতীৰ জয়দেউ-কাকুতিত গদাপাণিয়ে অগত্যা এবাৰ নোৱাৰি, ভেশ, ছদ্ম কৰি, নগাপাহাৰলৈ বগুৱা গোটাই আনিবৰ মনেৰে পলাই যায়। নগাপাহাৰত অনাইবনাই ফুৰি গদাপাণিয়ে পোন প্ৰথমে যি ঘৰ নগাৰ ঘৰত আলহী সোমায়গৈ,—সেই নগাৰে জিয়াৰী জিমু—শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত পদ্মনাথ বৰুৱাৰ "জয়মতী কুঁৱৰী" নাটকত, আৰু "ডালিমী"—শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱাৰ "জয়মতী"—নাটকত। আশা কৰোঁ সৰহ ভাগ অসমীয়া পাঠকেই এই দুইজন প্ৰসিদ্ধ লেখকৰ দুইখন নাটক পঢ়িছে, আৰু এখনৰ একাধিকবাৰ ভাওনাও দেখিছে। আমাৰ আজিৰ প্ৰবন্ধত নাটক দুখনৰ পৰস্পৰৰ ভিতৰত তুলনা কৰা অভিপ্ৰায় নহয়; তাৰ বুকুৰপৰা এই নাগিনী ছোৱালী দুজনী উলিয়াই আনি সিহঁতৰ স্বকীয়া বেহ ৰূপ চাবৰ হে মন গৈছে। একে আষাৰে কব লাগিলে, পদ্মনাথ বৰুৱাৰ "জিমু" তেনেই realistic অৰ্থাৎ হুবহু নাগিনী পাওক, আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ "ডালিমী" Idealistic (ভাবাত্মক) নে Realistic (বাস্তৱ) প্ৰথম দৃষ্টিত ভালকৈ ধৰিবই নোৱাৰি; ফলে ইয়াকে কব পাৰি যে "ডালিমী" ডালিমীয়েই, জিমু নহয়। অৱশ্যে পদ্মনাথ বৰুৱাৰ "জয়মতী" আগেয়ে লিখা, বেজবৰুৱাৰ "জয়মতী" পাছে লিখা। কিন্তু পাছে লিখা হলেও, "জিমু"ৰ ছাঁ "ডালিমী"ত পৰা নাই;—"ডালিমী" যেন হঠাৎ চমকি যোৱা বিজুলী-পোহৰ;—পোহৰত ছাঁ পৰিব কেনেকৈ? পদ্মনাথ বৰুৱা "জয়মতী" লিখাৰ আগতে বহুত দিন নগাপাহাৰত আছিল, গতিকে তেওঁৰ জিমু যে তেনেই Realistic হু-বহু নাগিনী হব সেইটো স্বাভাৱিক। কাৰণ প্ৰত্যক্ষ বস্তু যেতিয়া সম্পূৰ্ণৰূপে প্ৰত্যক্ষ হয় তেতিয়া সাধাৰণতে কল্পনাই খেলা কৰিব নোৱাৰে, আনপক্ষে, প্ৰত্যক্ষ বস্তুও অপ্ৰত্যক্ষ হৈ থাকিলে কল্পনাই আপোন মনৰ মাধুৰী সানি লৈ তাক বেছি উজ্জ্বল কৰি দেখে। বেজবৰুৱা নগাপাহাৰত থকা নাই, কেতিয়াবা ফুৰিবলৈ গৈছিল নে নাই কব নোৱাৰোঁ, বোধ কৰোঁ নাই যোৱা।

Idealistic আৰু Realistic এই কথা দুটা সাধাৰণতে মানুহে অলপ ভুলকৈ বুজে, ভাবে যে Idealistic হলে Realistic হব নোৱাৰে, আৰু



Realistic হলে Idealistic হব নোৱাৰে। কিন্তু আচলতে Idealistic আৰু Realistic দুটা Contradictory term অৰ্থাৎ পৰস্পৰ বিৰুদ্ধ কথা নহয়;—Realisticness ৰক্ষা কৰিও Idealistic আৰু Idealisticness ৰক্ষা কৰিও Realistic হব পাৰে। জগতৰ বৰ্ত্তমান উচ্চসাহিত্য গঠনৰ আদৰ্শ এনে Ideo-Realistic (ভাবাত্ম-বাস্তৱ) হে। সংসাৰত নিতৌ-ঘটি থকা শাক খোৱা মাছ খোৱা আদি ঘটনাৰ হু-বহু সুনিপুণ বৰ্ণনাও ভাল সাহিত্য নহয়, আৰু সংসাৰৰ লগত সমূলি সম্বন্ধ নথকা "গাঁজা খোৱৰ" আকাশ-কুসুম ও সাহিত্য নহয়। এই সম্বন্ধ ফঁহিয়াই দেখুৱাবলৈ গলে বহুত কথা কব লগীয়া হয়,—সম্প্ৰতি বাহুল্যলৈ নগৈ এটা তুলনামূলক দৃষ্টান্তৰ দ্বাৰাই আমাৰ কথা অলপ মুকলি কৰিবলৈ চাম।

কালিদাস আৰু ছেক্সপিয়েৰৰ নাটকবোৰ যেনেকৈ একাধাৰে National (অৰ্থাৎ জাতীয় প্ৰকৃতিৰ পৰিচায়ক) আৰু Universal বিশ্বজনীন তেনেকৈ একাধাৰে Realistic আৰু Idealistic অৰ্থাৎ Ideo-realistic (ভাবাত্ম-বাস্তৱ)। দ্বিতীয় শ্ৰেণী, তৃতীয় শ্ৰেণীৰ লেখকে নাটকাদি কাব্য সাহিত্যত জাতীয়ত্ব (nationality) দেখুৱাবলৈ গৈ বিশ্বজনীনত্ব (universality) ক্ষুণ্ণ কৰে, আৰু বহুতে বিশ্বজনীনতা ঘোষণা কৰিবলৈ গৈ নিজৰ জাতীয়ত্ব হেৰুৱাই পেলায়; কিন্তু প্ৰবীণ প্ৰথম শ্ৰেণীৰ প্ৰতিভাশালী লেখকৰ লেখনীয়ে বিশ্বজনীনতাৰ অখণ্ড আকাশৰ ছবি আঁকোতে তাৰ গাৰ চন্দ্ৰ সূৰ্য্য তৰা, দাঁতিয়ে-কাষৰে লাগি থকা মেঘৰ সক-সুৰা ৰেখা আৰু পৰ্ব্বত পাহাৰৰ দৃশ্য যোৱো আঁকি যায়। উদাহৰণ স্বৰূপে ধৰক কালিদাসৰ শকুন্তলা আৰু ছেক্সপিয়েৰৰ মিৰান্দা। শকুন্তলা আৰু মিৰান্দা দুইটি চিত্ৰই যেনেকৈ একালে বিশ্বজনীন আন ফালে জাতীয়ত্ব সূচক।

নৰ মাত্ৰৰে, নাৰী মাত্ৰৰে,——

ভাৰতীৰই হওক ইউৰোপীয়ই হওক, নগৰতে থাওক বা হাবিতে থাওক, তপোবনতে থাওক বা সাগৰৰ মাজৰ অকলশৰীয়া দ্বীপ এটাতে থাওক, এদিন নৱ যৌৱনৰ অনাহুত বসন্ত সমীৰ আহি তেওঁৰ জীৱন-কুঞ্জত প্ৰথম প্ৰণয়ৰ হিল্লোল তুলি দিবই দিব, ই-ধ্ৰুৱপ। সেই কাৰণেই উদ্ভিন্ননৱযৌৱনা শকুন্তলা তপোবনৰ ঋষি কন্যা হইও তপোবনৰে অতৰ্কিতা হৰিণীৰ দৰে

সহজেই দুষ্মন্তৰ প্ৰণয়-শৰত বিদ্ধ হল। নিৰ্জ্জন পালিতা নৱযৌবনা মিৰান্দাও সেই কাৰণেই জন-প্ৰাণীহীন দ্বীপ এটাৰ মাজতে একেখনি মাথোন যুবকৰ মুখ ফাৰ্দ্দিনাণ্ডক দেখিয়েই চুম্বকৰ দৰে হঠাৎ আকৃষ্ট হৈ পৰিল। দুয়োটা চৰিত্ৰতে কোনে nationality জাতীয়ত্বৰ ছাঁ পৰিছে চাওক;— শকুন্তলা ভাৰতীয় ঋষিৰ কন্যা; তপোবন আধ্যাত্মিক ভাৰতবৰ্ষৰ নিজা বস্তু;—যেই-সেই নিজা বস্তু নহয়,—অন্তৰৰো অন্তৰৰ ধন,—জীৱনৰ সৰ্ব্ব সাধনাৰ মূল সাধন আধ্যাত্মিক সাধনাৰ স্থল। আকা নোহোৱাকৈ যেনেকৈ চন্দ্ৰ সূৰ্য্যৰ গতিবিধি অসম্ভৱ,—তপোবনো নোহোৱাকৈ তেনেকৈ শকুন্তলাৰ মাত-বোল অসম্ভৱ। তপোবনক বাদ দি শকুন্তলাক চাবই নোৱাৰি শকুন্তলা তপোবনৰ অঙ্গীভূত। তপোবনক আঁতৰাই ৰাখিলে যে কেৱল নাটকৰ আখ্যানত হে অমিল ঘটিব এনে নহয়, আচল শকুন্তাই অসম্পূৰ্ণ হৈ ৰব। মিৰান্দা ইউৰোপীয় ডিউকৰ জিয়াৰী, সেই কাৰণে আধ্যাত্মিক ভাৱৰ তপোবন নহৈ মিৰান্দাৰ বাসস্থান সাগৰৰ মাজৰ এটা দ্বীপ কিন্তু শকুন্তলা চৰিত্ৰ তপোবনৰ লগত যি নেৰানেপেৰা সম্বন্ধ, মিৰান্দা চৰিত্ৰৰ, দ্বীপটোৰ লগত তেনে আন্তৰিক সম্বন্ধ নাই। ইউৰোপে বহিঃপ্ৰকৃতিক জড় জ্ঞান কৰে, সেই দেখিয়েই বোধ কৰোঁ মিৰান্দা প্ৰকৃতিৰ চেতনাত সাগৰৰ মাজৰ দ্বীপ প্ৰকৃতি জড় হৈয়ে থাকিল, মিৰান্দাৰ হৃদয়েদি সচেতন হৈ উঠিব নোৱাৰিলে। সেই নিৰ্জন দ্বীপটো নাটকাৰ আখ্যান ভাগ বাদ দি চালে, আচল মিৰান্দা চৰিত্ৰলৈ তো সিমান আৱশ্যকীয় নহয়, দ্বীপ নহৈ যেই সেই এডোখৰ নিৰ্জ্জন-ঠাইতে মিৰান্দাৰ মিৰান্দা চৰিত্ৰ পৰিস্ফুট হব পাৰিলেহেতেন। কিন্তু শকুন্তলা নাটকৰ তেনে নহয়,—কালিদাস ভাৰতীয় কবি, ভাৰতবৰ্ষই বহিঃপ্ৰকৃতিক জড় বুলি নাভাৱে, ভাৰতৰ আধ্যাত্মিক চকুত উৰন, বুৰণ, গজন-গমন এই চাৰি মুঠি জীৱ——সজীৱ। সেইদেখি কালিদাসে তপোবনক বাহিৰতে পেলাই নথৈ একেবাৰেই শকুন্তলাৰ চৰিত্ৰক ভিতৰেদি উলিয়াই দিছে। শকুন্তলাক একাধাৰে ভাৰতীয় আৰু বিশ্বজনীন্ কৰি তুলি ধৰিছে। মিৰান্দাৰ নাৰী হৃদয়ৰ চিনাকীও কেৱল ফাৰ্দ্দিনাণ্ডৰ লগত প্ৰণয়তেই হে যি প্ৰকাশ পাইছে। তাত বাজে সাগৰৰ সেই ভীষণ ধুমুহা বতাহৰ সময়ৰ ভয়তৰা



দুৰ্ভগীয়াহঁতৰ নিমিত্তে মাথোন যি তেওঁৰ হৃদয়ত হেন্দোলদোপ লাগি কৰুণা প্ৰকাশ পাইছিল। কিন্তু শকুন্তলাৰ হৃদয়ৰ চিনাকী পদে পদে—গছে-লতায় মৃগে-হৰিণে গোটেইখন তপোবন শকুন্তলাৰ স্নেহ-দয়া, ভক্তি ভালপোৱাৰ ৰশ্মিৰে জোনালী। তপোবনৰ গছ-ফুলবোৰত পানী দিয়াৰ লগে লগে সেইবোৰৰ লগত কি ভ্ৰাতৃভাৱ! কি বিশ্ববাৎসল্য! যেতিয়া তপোবন ত্যাগ কৰি পতিগৃহলৈ যাব লগীয়া হল, তেতিয়া তপোবনৰ লতা-লতিকা, মৃগ-হৰিণা, এটাইবোৰলৈকে কি আকৰ্ষণ! কি বেদনা! কবিশ্ৰেষ্ঠ স্যৰ ৰবীন্দ্ৰনাথ ঠাকুৰে কয় "বনৰ লগত মানুহৰ বিচ্ছেদ যে ইমান মৰ্ম্মান্তিক সকৰুণ হব পাৰে, সেইটো জগতৰ সমস্ত সাহিত্যৰ ভিতৰত কেৱল অভিজ্ঞান শকুন্তলাৰ ৪ৰ্থ অঙ্কত হে দেখা যায়।"

এই কাব্যত স্বভাৱ আৰু ধৰ্ম্মনিয়মৰ যেনে মিল, মানুহ আৰু প্ৰকৃতিৰ লগতো তেনে মিল। বিসদৃশৰ ভিতৰত একান্ত মিলনৰ ভাৱ বোধ কৰোঁ ভাৰতবৰ্ষত বাজে আৰু কোনো দেশতে সম্ভৱপৰ হব নোৱাৰে। এটা কথাৰে, Tempest-অত প্ৰকৃতিয়ে এৰিয়েলৰ ভিতৰেদি মানুহৰ আকাৰ ধৰিও মানুহৰ লগত হৃদয়েৰে মিলিব পৰা নাই, আৰু শকুন্তলাত গছ-লতা-পশু-পক্ষীয়ে, গছ-লতা পশু-পক্ষী হৈ থাকিয়েই মানুহেৰে সৈতে মধুৰ আত্মীয় ভাৱত মিলি গৈছে। মুঠতে টেম্পেষ্টত ইউৰোপীয় পীড়ন, শাসন, দমন;—শকুন্তলাত ভাৰতীয় প্ৰীতি, শান্তি, সদ্ভাৱ। শকুন্তলাৰ আৰম্ভতে, যেতিয়া ধনুৰ্ব্বাণধাৰী ৰজাৰ প্ৰতি এই কৰুণ নিষেধ উত্থিত হল—"ভো ভো ৰাজন্—আশ্ৰম মৃগোহয়ং ন হন্তব্য ন হন্তব্যঃ" তেতিয়াই ভাৰতীয় কাব্যৰ এটা মূল সুৰ বাজি উঠিল"। কথা উলিয়াই আনিলে বৰ দীঘল হৈ যায়, গতিকে ইমানতে ইয়াকে শেষ মোখনি দিয়া ভাল যে শকুন্তলা আৰু টেম্পেষ্ট উভয় নাটকেই এপিনে যেনেকৈ একাধাৰে National and universal—জাতীয়প্ৰকৃতি পৰিচায়ক আৰু বিশ্বজনীন, আনপিনে তেনেকৈ

---

১——২ ইউৰোপীয় আৰু ভাৰতীয় এই কথা দুটা আমাৰ, ৰবিবাবুৰ মূলত নাই। আমাৰ শকুন্তলা আৰু মিৰান্দা প্ৰসঙ্গত, কবিবৰে কৰি থোৱা সুনিপুণ বিশ্লেষণৰপৰা যথেষ্ট সহায় লোৱা হৈছে।—লেখক।

একাধাৰে Idealistic আৰু Realistic অৰ্থাৎ Ideao-Realistic ভাবাত্ম-বাস্তৱ। মহাকবিৰ সৃষ্টিয়েই এনেকুৱা।

আমাৰ আচল কথাৰপৰা বাহিৰে দেখাত অলপ আঁতৰি পৰিলোঁহি। আকৌ কাষ চপা যাওক। জিমু আৰু ডালিমী এই চৰিত্ৰ দুটিৰ ভিতৰত জিমু ওপৰত উদুকিয়াই অহা মতে তেনেই Realistic বাস্তৱ। তাই নগা গাভৰু, সেইদেখি তাইৰ নামটোও জিমু,—নগা মাত। কিন্তু তাইৰ "জিমু" নামত বিশেষত্ব নাই, তাইৰ নাম "চিমু" হোৱা হলেও, গদাপাণিৰ নিচিনা এজন সুবল-সুঠাম, ভৈয়ামৰ ৰাজ-কোঁৱৰৰ ৰূপ-যৌবনত তাই স্বভাৱতে মুগ্ধ হলহেঁতেন। যেই সেই এজনী নগা গাভৰুৱেই গদাপাণিক কব পাৰিব :—

"আমি হলে তোকে বাল পায়"

"এনেই বাল পায়। তোকে হলে আমি মৰম লাগে"।

যেই সেই এজনী নগা গাভৰুৱেই কব পাৰিব :—

"তুমি হলে কলে যাব, আমি লগতে যাব।"

"আমি হলে অকলে নবহে। তুমি লগতে যালে ভাল আছে।"

যেই সেই এজনী প্ৰেমমুগ্ধা সৰলা নগা-যুৱতীয়ে গদাপাণিৰ নিচিনা ৰাজ কোঁৱৰে এৰি থৈ যোৱাত, বিমোৰ হৈ কব পাৰিব :—

"আজি তো——অ! হি গলেগৈ! আমি হলে পাচতে যাব"।

ইয়াত বাজেও জিমুৱে এবাৰ গদাপাণিক ৰজাৰ মানুহৰ হাতৰপৰা যেনেকৈ সকবালে, তাকো যেই সেই এজনী ৰূপমুগ্ধা নাগ-ৰমণীয়েই সকবাব পাৰিলেহেঁতেন। মুঠতে জিমুৰ চৰিত্ৰত যি সৰলতা, কোমলতা আৰু প্ৰেমভাবৰ সঞ্চাৰ হৈছে, সি যেই সেই এজনী তৰুণী নাগিণীৰ চৰিত্ৰতে সঞ্চাৰ হোৱাটো অসম্ভৱ নহয়। জিমুৰ কথা শুনি, জিমুৰ চৰিত্ৰ দেখি, পদ্মনাথ বৰুৱাৰ গদাপাণিয়ে আপোনাআপুনি ভাবিছে :—

"আহা, কি সৰল প্ৰাণ! আজলী-নাগিনী;

নাজানে কুটীল ভাব নীচ ভৈয়ামৰ"।

কিন্তু ডালিমীৰ 'কাণ্ড-কাৰখানা' দেখি লক্ষ্মীনাথ বেজবৰুৱাৰ গদাপাণিয়ে ভাবিছে :—

"প্ৰকৃতিৰ সন্তান নগা-নাগিনীবোৰৰ সৰল মন আৰু সৰল ব্যৱহাৰ



দেখিলে প্ৰাণ জুৰাই যায়। উদাৰ প্ৰকৃতিৰে সিহঁত কেনে মিলি যোৱা!—মোৰ গৃহস্থ বুঢ়া গাম-গামনীৰ মোৰ প্ৰতি কেনে সৰল ব্যৱহাৰ!—আৰু সেই ছোৱালীটো ডালিমী;—এইটি স্বৰ্গৰ নে পৃথিবীৰ?—ক'ৰ?—মই দেখোন একো তৎ ধৰিব নোৱাৰোঁ; ডালিমী, কচোন তই আকাশত উৰিফুৰা মইনা চৰাইনে, পৰ্ব্বতৰ গাত ফুলাবনৰীয়া ফুল? তই পৰ্ব্বতৰ জীয়াৰী গৌৰী নে, লুইতৰ জিয়াৰী কোনোবা জল-কুঁৱৰী! নাইবা, এই পৰ্ব্বতত যতবোৰ প্ৰাকৃতিক শোভা-সৌন্দৰ্য্য আছে, সোপাই একেলগে ৰূপ ধৰি এই দৰে ফুৰিছ?" বাস্তৱিক পক্ষে, ৰাজকোঁৱৰ গদাপাণিৰ নিচিনা বীৰেন্দ্ৰ পুৰুষলৈ, যি ঐহিকৰ সকলো সুখ-সম্পদ,—ৰাজসিংহাসনৰ আশা, আন কি নিজৰ প্ৰাণ আৰু প্ৰাণতকৈও অধিক পতিপ্ৰাণা সতী জয়মতীৰ নিচিনা ভাৰ্য্যা, আৰু লাই লেচাই যেন দুটি জীয়ন্ত সোণৰ পুতলা যেন সন্তানক এৰি নগা পৰ্ব্বতৰ বিজন বাসত দিন নিয়াইছে—জিমুৰ নিচিনা এজনী সাধাৰণ নগা ছোৱালী, কিম্বা নগাপৰ্ব্বতৰ বিৰাট জড় প্ৰকৃতি, কন্তেকৰ নিমিত্তে সুখ-দায়ক হলেও, সি তেওঁলৈ Bliss of Solitude অৰ্থাৎ নিৰ্জ্জন সম্পদ হোৱাটো অসম্ভৱ! ডালিমীৰ নিচিনা এটি জীৱন্ত বিদ্যুৎপ্ৰভাৰ প্ৰতিভাই যদি তেনে হৃতসৰ্ব্বস্বপ্ৰায় বীৰপুৰুষৰ কিবা Bliss of Solitude-অৰ ভাগ দিব পাৰে। আলেকজেণ্ডাৰ অৰ্ চেল্‌কাৰ্কে এদিন গভীৰ অৰণ্যবাসত,—প্ৰকৃতিৰ অবাৰিত সৌন্দৰ্য্য-সম্পদৰ দুৱাৰ মুখত থিয় দি, তাৰ ভিতৰলৈ সোমাব নোৱাৰি এনেকৈহে কৈছিল :—

"O! Solitude, where are they those charms,

That Sages have seen in thy face!"

অৰ্থাৎ হে নিৰ্জ্জনতা! তোমাৰ মুখত ঋষি মুনিসকলে দেখা পোৱা সেই 'মোহনী' কতা? আৰু কৈছিল :—

"Society friendship and love.

So devinely bestowed upon man;

Had I had the wings of a dove.

How soon would I taste you again"

অথাৎ ঈশ্বৰে স্বৰ্গীয় হাতেৰে মানুহক বিতৰণ কৰা সমাজ, বন্ধুতা আৰু

ভালপোৱাৰ সোৱাদ লবলৈ, মোৰ কপৌ-চৰাইৰ দৰে পাখি থকা হলে এতিয়াই উৰি গলোঁহেঁতেন। গতিকে গদাপাণিৰ সেই বিজন-বাস-ৰূপ কাৰাগাৰত ডালিমীৰ নিচিনা নৱদেৱী হে অন্তৰৰ দিব্য প্ৰভা আৰু মুক্ত বায়ু সঞ্চাৰ কৰিবৰ উপযুক্তা! এদিন আবেলি নগা পৰ্ব্বতৰ এটা জুৰিৰ পাৰত-ডালিমীয়ে গদাপাণিক কেনেকৈ ঠেকত পেলাই ইহঁৰাইছে চাওক—

"ডালিমী—কেচাসোণ, তোমাক এই শিলৰ ওপৰত মুৰকুৰাই বহি থাকিবলৈকে মই লৈ আহিছিলোঁ নে! শিলৰ কোনোঁৱৰ পানীৰ আচিত তোমাৰ মুখখন চোৱাঁচোন।

গদাপাণি——(উঠি চায়) চালোঁ। বেছ আছে।

ডালিমী——বেচ নাই, বেয়া আছে। সেইখন মুখত ৰং নাই, বেজাৰ হে আছে।

মোৰ মুখ খন চোৱাঁ;—ইয়াত বেজাৰ নাই, ৰং হে আছে। বাৰু, কেচাসোণ, তুমি তেনেকৈ থাকা কিয়? ঠিক বুজিছোঁ, কিবা এটা বেজাৰে তোমাক খুলি খাব লাগিছে। মই এটা গীত গাওঁ শুনা,—

(গীত)

পৰ্ব্বতৰ ঢেকীয়া, লিহিৰী পভীয়া
বতাহতে হালেজালে।
কলা আকাশত বগে আৰু পাতি
উৰা মাৰে কৰবালে॥
পখিলী উৰিলে উৰিব ডালিমী,
লগৰে লগৰী পাই।
মনৰে খোৰাটি ছুটি মেলি যাব
কলৈ নো উৰাদিহ নাই।

গদাপাণি—বেছ গীত, বেছ গীত।

ডালিমী—বেজাৰ গুচিছে নে?

গঃ পাঃ—ডালিমী লগত থাকিলে বেজাৰ থাকিবৰ ঠাই ক'ত?

ডালিমী—তেনেহলে ডালিমী সদায় তোমাৰ লগত থাকিব।"



প্ৰেম আৰু প্ৰতিভাৰ কি অপৰূপ সম্মিলন!—এটি নিবক্ৰবা নাগিনী ছোৱালীৰ গাত!!

ডালিমীৰ বয়স এথাৰ;—কৈশোৰ আৰু যৌবনৰ সন্ধিস্থলত! প্ৰেম কি বস্তু ভালকৈ বুজিবৰ নৌ, কিন্তু হৃদয়নিহিত প্ৰদীপ্ত প্ৰতিভাৰ বলত উমানতে প্ৰেমৰ চূড়ান্ত লীলা পায় গৈ। একালে নিবক্ৰবা নাগিনী হৈ যেনেকৈ গোটেই জনী Naturalist—প্ৰকৃতি-গ্ৰন্থৰ কীট,—আন কালে তেনেকৈ সুকৌশল প্ৰেমিকা। যুগ্ম ভাবৰ পাৰ্থিৱ প্ৰণয়ত এটা সন্দেহ সদায় দোদুল্যমান হৈ ওলমি থাকে,—এই সন্দেহ ভঞ্জন কৰিব নোৱাৰিয়েই সৰহ ভাগ প্ৰেমিক প্ৰেমিকাই নিজৰ মনতে নিজে গুঁজৰি-গুমৰি প্ৰলাপ বকে;—কিন্তু ডালিমীয়ে কি অকপটভাৱে নিজৰ সন্দেহ ভঞ্জন কৰি প্ৰতিভাৰ চিনাকি দিছে চাওক,—

"ডালিমী—কেচাসোণ, কোৱাঁচোন এই জুৰিটি বৈ কলৈ গৈছে?

গদাপাণি—লুইতলৈ?

ডালিমী—তাত কি কৰিবলৈ!

গঃ পাঃ—লুইতেৰে সৈতে মিলি যাবলৈ।

ডালিমী—কেনে মজা! (ডাঙৰকৈ হাঁহি) হিঃ হিঃ হিঃ—কেচাসোণ, সেয়া কোনে সেই পৰ্ব্বতৰ মাজৰপৰা মই হঁহাদৰে হাঁহিলে?

গদাপাঃ—প্ৰতিধ্বনিয়ে।

ডালিমী—প্ৰতিধ্বনি কি?

গদাপাণি—তোমাৰ হাঁহিটোৱেই পৰ্ব্বতৰ বুকুত ঠেকা খাই উভতি আহিছে।

ডালিমী—কেচাসোণ, তোমাৰ বুকুতো সেইদৰে মোৰ হাঁহি লাগি ঠেকা খায় নে?

গদাপাণি—খায়।

ডালিমী—তেন্তে আমি শুনো কিয়?

গদাপাণি—সিমানকৈ শবদ উঠে দেখি।"

প্ৰতিভাৰ স্বাভাৱিক প্ৰশ্ন আৰু প্ৰেমৰ স্বাভাৱিক সৰল উচ্ছ্বাস কেনেকৈ লুইতৰ লগত জুৰি মিলাৰ দৰেই মিলি গৈছে।

ডালিমী নাগ-কুমাৰী ; কিন্তু যেই সেই নাগ-কুমাৰী নহয়. জিন্নুৰ দৰে তাই ধান খৰলৈ ডুলি নাসাজে. আৰু জিন্নুৰ দৰে ভুঁই চাবলৈকো নাযায়। তাই প্ৰকৃতি-কুমাৰী ;—তাই নগাপৰ্ব্বতত জন্ম লৈছে বুলি তাই অকল নগাৰ ঘৰতে আবদ্ধ নহয়।—তাই পৰ্ব্বতৰে জুৰিৰ দৰে সৰগৰ বৃষ্টি পান কৰি পৰ্ব্বতৰপৰা ওলাই নৈ হৈ বিশ্বজগতত কুলু কুলু ধ্বনিৰে লীলা কৰি অনন্ত সাগৰলৈ বৈ যাব খোজে। এদিন পুৱা ১০ মান বজাত ডালিমী কি বেশৰে গদাধৰে সৈতে ঘৰ ওলাইছেহি চাওক। "বাপেক মনামা গামে খৰাহি সাজিছে। মাক গামনীয়ে মণ্ডহ, আলু, কচু জুইত পুৰিছে"। এনেতে গদাপাণি আৰু ডালিমীৰ প্ৰবেশ। ( ডালিমীৰ হোৰাত ফুল, মূৰত ফুল, ডিঙিত ফুল, হাতত ফুল আৰু ধেনু কাঁড় ! )

"গামনী—ডালিমী, তোৰ এইকন কি কথা নো আক ? ৰাতিপুৱাই ওলাই গলি, এই বেলি দুপৰ হব লগা হল, এতিয়া ওলাইছেহি। গৰৰ আলহীক কুৰাবলৈ কাৰবাৰ কৰিব লাগে, তালৈ চিন্তা নাই ; কিবা বলিয়াৰ দৰে ওৰি পুৰিছ।

ডালিমী—তোৰ আলহী দেখোন মোৰ লগতে আছিল ; আমি কত কাম কৰিলোঁ, কত হাবিয়ে-বননীয়ে ফুৰিলোঁ। মোৰ হোৰাটো নাচায় কিয় ?

বুঢ়াগাম—তোৰ ওনাত নো কি হোপা আছে অ ? সেকৰ মানে কৰবাৰ পুলকন বৰাই আনিছ। বেলোঁ, পুল কাই পেট ৰৰাবি নে কি বান্দৰী ?

ডালিমী—ফুল খাই মোৰ হলে পেট ভৰে বোপাই, তঁহতৰ নভৰিব পাৰে। মোৰ, পেট সৰু, তঁহতৰ ডাঙৰ। পখিলাই ফুলৰ মৌ একণ খাই থাকে ; —ময়ো সেইদৰে থাকিব পাৰোঁ। সঁচাকৈয়ে আজি ময়ো পখিলা এটাৰ পিছে পিছে গৈ, সি যি ফুলতে পৰি মৌ খাইছিল, ময়ো সেই ফুলকে হুঁপি মৌ খাইছিলোঁ ; কেচাসোণে দেখিছে নহয়"। মানব সন্তানৰ এনে প্ৰকৃতি-সন্তান হবৰ আকাঙ্ক্ষা আগ্ৰহ প্ৰকৃতিৰ ৰাজ্য নগা-পৰ্ব্বতৰ নিচিনা ঠাইতে হে কল্পনা কৰাটো সত্য কল্পনা !

ডালিমী বিশ্বভাবাত্মিকা, তাই দেখিছে এই বিৰাট বিশ্বব্ৰহ্মাণ্ডত ডাঙৰ সৰু কেঁও নাই, সকলোৱেই ডাঙৰ, ডাঙৰেই সৰু। তাই মাথোন নিজৰ চিৰ নবীন হৃদয়েৰে এইটোহে উপলব্ধি কৰিব পাৰিছ যে অনাদি অনন্ত কোটী



কলীয়া বিশ্বৰচনা, সদায় বাল্যখেলা,—সবাৰ খেমালি ; ই চিৰনতুন।—বিশ্ব সংসাৰত পুৰণি বা বৃদ্ধ বুলি কোনেও গৌৰৱ কৰিব নোৱাৰে—সকলো "কালিৰ ছৱাল" নাইবা সকলো Eternal child চিৰবালক বা চিৰ বালিকা। সেই দিনাৰ এটা ঘটনাৰ কথা ডালিমীয়ে মাকক কৈছে——

"আই আজি বৰ খেমালি হৈছিল ; এজোপা ওখ গছ, ফুলেৰে ভৰি আছিল। মই চুটি, চুকি নাপাওঁ দেখি, কেচাসোণে কান পাতি দি মোক তেওঁৰ কানত উঠি ফুল পাৰিবলৈ কলে। মই পচু-পোৱালিটীয়ে জঁপিয়াদি জাপিয়াই তেওঁৰ কানত উঠি থিয় হৈ, ডালৰ ফুল সোপাসোপে পাৰিলোঁ। চা, এইবোৰ হোৰাতে এহোৰাকৈ আনিছোঁ।

গামনী—ডালিমী, তই ইমানজনী ছোৱালী, তোৰ কেচাহোণৰ কান্ধত নো উঠিব পাৰ নে ? অ, মোৰ গোসাই ! অ মোৰ দেও ! এই অহো-বলিয়া ছোৱালীজনীক নো মই কৰোঁ কি ?

ডালিমি—কোনে কলে, মই ইমানজনী ছোৱালী বুলি ? মই এতেকণি মান পখিলাটি যেন নহওঁ নে বাক কেচাসোণ ? মোৰ কেচাসোণ কিমান ডাঙৰ চা। মই কেচাসোণৰ কাষত থিয় হলে অকণিমান হৈ পৰিম। (গদাপাণিৰ কাষত ডালিমী থিয় দিয়ে।)

মঃ গাম—(হাঁহি) হেৰ ডালিমীৰ মাক, এইজনীৰ কেইবছৰ বয়স অল অ কৰ পাৰ নে ? মোৰ দেকোন লেকত কিবা বুলুকন ঐ যায় ! ( গদাপাণিলৈ চাই মই লেকপেককন কৰিব নোৱাৰোঁ, হেইবোৰ তোৰ মিতি-নীয়েৰেহে পাৰে।

গামনী—আৰু তেওঁজ বেলি এনে দিনতে ডালিমীৰ বয়স ন বছৰ হৈ আৰু এবছৰ হৈছিল ; এতিয়া কিমান হল, ডালিমীৰ কেচাসোণে লেখ কৰি কওক।

গদাপাণি—(হাঁহি) এধাৰ বছৰ হল !

গাঃ— • • •

ডালিমী—কেচাসোণ, মোক কোৱাঁচোন, আমাৰ ঘৰৰ কাষেদি বৈ যোৱা সেই জুৰিটিৰ বয়স কিমান হল ?

গদাপাণি—কেনেকৈ কম ?

ডালিমী—বাক, এইটো কোৱা, এখাৰ বছৰতকৈ কম নে বেছি ?

গদাপাণি—এখাৰ বছৰ কি,—কত এখাৰ বছৰ, কত শ বছৰ হৈ গৈছে তাৰ ঠিক কি ?

ডালিমী—তেনেহলে জুৰিটি মোতকৈ বয়সত বহুত ডাঙৰ ?

গদাপাণি—নিশ্চয়।

ডালিমী—জুৰিটিয়েও দেখোন দিনৌ ডেও পাৰি ডাঙৰ শিলৰ কান্ধত উঠি নাচি যাব লাগিছে, মই হে নাপায় ?" কেইজনী নগা ছোৱালীয়ে চকুৰ আগৰ প্ৰকৃতি-গ্ৰন্থৰ পাত ইমান মনোযোগেৰে লুটিয়াব পাৰে? নগাছোৱালী হে নালাগে কেইজনী শিক্ষিতা নগৰৰ ৰমণীয়ে এনে মৰ্মস্পৰ্শী অথচ গভীৰ যুক্তিসিদ্ধ কথাৰে নিজৰ হৃদয়াবেগ সমৰ্থন কৰিব পাৰে ?

প্ৰকৃতিৰ কবি Wordsworthএ গুৰিতে এক-অংশ-সম্ভূত মানুহৰ ভিতৰত মিলন-আশা-হীন দুৰ্ঘোৰ বৈষম্য দেখি দুখ কৰি গাইছিল :—

"If this belief from Heaven be sent,
If such be nature's holy plan,—
Have I no reason to lament
What man has made of man ?"

অৰ্থাৎ প্ৰকৃতিৰ সৌন্দৰ্য্য সুষমাই যদি মানৱাত্মাক একেটি প্ৰাণৰ জৰিৰেই বান্ধি থৈছে, আৰু মোৰ এই বিশ্বাস যদি স্বৰ্গপ্ৰেৰিত হয়, তেন্তে মানুহে মানুহক কি কৰিছে এইটো লৈ মোৰ বিলাপ কৰিবৰ কাৰণ নাই নে ?

ডালিমীয়েও এই চিৰ আনন্দলোক—পৰম পিতাৰ বিশ্ব-ৰচনাত মানুহে পৰস্পৰ হিংসা-খিয়াল আৰু অনৰ্থক দুখ-বেজাৰ কৰি থকাটো সহিব নোৱাৰে। এদিন গদাপাণিৰ আগত মাকক সুধিছে :—

"আই, পখিলা কোনে চৰ্জিলে ?

গামনী—গোঁথায়ে।

ডালিমী—মোক ?

গামনী—তোকো গোঁথায়ে।

ডালিমী—কেচাসোণক ?

গামনী—কেচাহোণকো গোঁথায়ে চৰ্জিলে।



ডালিমী—তেন্তে পখিলাই দেখোন বঙত উৰি ফুৰে; মযো তেনেকৈ পখিলাৰ পিছে পিছে উৰি ফুৰোঁ। কিন্তু মোৰ কেচাসোণে কেতিয়াবা ৰং কৰিলেও, আকৌ খিতাতে মুখখন ওলোমাই বহি থাকে কিয় ?

• • • •

গাম—ডাঙৰ অলে মানুহৰ দুক্ বেজাৰ মনলৈ আহে। তইহক হেই দেখি হাঁহি পুৰ, তোৰ বেজাৰ নাই।

ডালিমী—ডাঙৰ হলে যদি মনলৈ দুখ বেজাৰ আহে, তেন্তে মই কেতিয়াও ডাঙৰ নহওঁ।"

তেনে ডাঙৰ ডালিমীক ঈশ্বৰে কৰিবই বা কিয় ? আচল ডাঙৰ মানুহ তো অশোক,—অশোক ঋষিৰ দৃষ্টিত, সাধাৰণৰ এই দুখ-তাপ-জৰ্জ্জৰিত জগৎ-সংসাৰ যে পৰমেশ্বৰৰ আনন্দৰূপ ;—"আনন্দৰূপমমৃতং যদ্বিভাতি"। সেই দেখিয়েই বিশ্বমাতৃৰ বুকুৰ ধন ডালিমীৰ :—

গীত :—

লৰা বুঢ়া কাক কয়
ডালিমী নুবুজে তাক।
পৰ্ব্বতে হাঁহে, নৈয়ে নাচে
উৰিছে পখিলা জাক।
পুৰণি আকাশ নুজাম তৰাৰে
সবাতকৈও লৰা।
পুৰণি পৃথিবী ফুটুকী ফুলেৰে
তাতোকৈয়ো যে চৰা।
অনেক কলীয়া নাহৰ জোপাই
পেলায় কোমল কলি।
কৌটী কলীয়া মেঘৰ লগত
বিজুলী থাকে উমলি ॥"

ডালিমিয়ে এই বিশ্বভৰা সৌন্দৰ্য্যৰ কোলাত সদায় হালিজালি ফুৰে বুলি তাই

যে মানৱ-বিৰাগী এনে নহয়। দেৱতুল্য মানৱ বদন'ৰ সুধা পান কৰিবৰ শক্তি ডালিমীৰ পক্ষেই হে সত্য শক্তি। সাধাৰণ যুবক যুৱতীৰ দৰে,—মানুহৰ ৰূপ-যৌৱনত,—বাসনাৰাগৰঞ্জিত নৱ প্ৰণয়ৰ চঞ্চল হাৰভাৱৰ চাকনৈয়াত পৰি তলংভটং কৰি ৰূপৰ সাগৰ এই বিশ্বৰূপলৈ ডালিমীয়ে পাহৰা নাই। ডালিমীয়ে গদাপাণিক ভাল পায়, কিন্তু গোটেই বিশ্বপ্ৰকৃতিৰ মাজত বহুৱাই লৈ হে, অকলৈ নহয়। ডালিমীক, গদাপাণিক হৃদয়ৰ ভূষণ কৰি লবলৈ লাগে,—কিন্তু অকল তাইৰ হৃদয়ৰে ভূষণ নহয়,—তাইৰ চিৰধাত্ৰী প্ৰকৃতি মাতৃৰ গা-ৰো গদাপাণি অলঙ্কাৰ হলেহে তাইৰ বুকু জুৰাব সেইদেখিয়েই এদিন ডালিমিয়ে গদাপাণিক আলপ বিহ্বল ভাবে কৈছে :—

"হাঁয় !! কেচাসোণ, তুমি আৰু আমাক এৰি কলৈকো নাযাবা দেই। তৈয়ামত তোমাৰ কোনোৰা আছে হবলা, সেইদেখি তালৈকে তুমি বেজাৰ কৰি থাকা। তোমাৰ কোন আছে কেচাসোণ ? চোৱাঁচোন এই পৰ্ব্বতটো কেনে শুৱান ! ইমানবোৰ জন্তু, এনে সুন্দৰ জুৰি, তোমাৰ তৈয়ামত নাই। ইয়াৰ সকলোৱে সকলোকে সমিধান দিয়ে,—মাত-বোল কৰে, সকলোৱে সকলোৰ দুখ পতিয়ায়। চোৱাঁ, মই হাঁহিলে পৰ্ব্বতেও হাঁহে। ফুল, পখিলা, চৰাই, গছ সকলোবোৰে মোৰে সৈতে সুখ-দুখৰ কথা পাতে ; সকলোবোৰৰে জীয় আছে, মৰম চেনেহ আছে। নহয় নে বাৰু ? তুমি ইয়াত আৰু দিনচেৰেক থাকিলে তোমাৰে সৈতেও সিহঁতে মোৰ দৰে কথাবাৰ্ত্তা কব ; এতিয়া তুমি অচিনাকী হৈ আছা দেখি তোমাৰ মাত সিহঁতে ভালকৈ নুবুজে, সিহঁতৰ মাতও তুমি ভালকৈ নুবুজা। মোৰে সৈতে আৰু দিনচেৰেক ঘূৰি ফুৰি সিহঁতৰে সৈতে ভালকৈ চিনাকী হলে দেখিবা সিহঁতে তোমাক সিহঁতৰ বুকুৰপৰা এৰিকে নিদিয়ে, তুমিও সিহঁতক এৰিব নোৱাৰাঁ। ( গদাপাণিৰ হাতত ধৰি। ) কেচাসোণ, তুমি মোক কোৱাঁ যে আৰু তুমি আমাক এৰি নোযোৱা বুলি। মোৰ কেতিয়াবা কেতিয়াবা বৰ ভয় লাগে, কেনেবাকৈ তুমি আমাক এৰি গুচি যোৱা বুলি। কিন্তু কেচাসোণ, নিশ্চয় জানিবা, তুমি গুচি গলে ডালিমী আৰু ইয়াত নাথাকে, এই জুৰিৰ পানীৰে সৈতে ডালিমী কৰবালৈ গুচি যাব।" কথায় কথায় কি প্ৰকৃতিভাবাপন্ন, কি প্ৰকৃতিপ্ৰণয় !



সামৰণিত কওঁ যে ডালিমী—তেনে Realisticও নহয়, Idealisticও নহয় ; ডালিমী সঁচাকৈয়ে Ideo-Realistic ভাবাত্ম-বাস্তৱ চৰিত্ৰ। শামুকৰ পেটত যদি মাণিক থাকিব পাৰে, সাপৰ-মূৰত যদি মণি থাকিব পাৰে, মেঘৰ মাজত যদি বিজুলী লুকাব পাৰে, তেন্তে অসভ্য নিৰক্ষৰ নগাৰ ঘৰত ডালিমী থাকিব নোৱাৰিব কিয় !—অৱশ্যে জিমুৰ নিচিনা গাভৰু, নগাৰ ঘৰে-ঘৰে থাকিব পাৰে,—জিমু সাধাৰণ যুৱতী। কিন্তু ডালিমী ঈশ্বৰৰ শাওপাততেই হওক বা আশীৰ্ব্বাদতেই হওক, মনামা বুঢ়াগামৰ ঘৰতেহে থি। ডালিমী বিশেষ বালিকা —A particular, a rare damsel. ডালিমী একালে যেনেকৈ কৈশোৰ আৰু যৌৱনৰ মাজতে "ন যযৌ ন তস্থৌ" আন ফালে তেনেকৈ স্বৰ্গ-মৰ্ত্তাৰ সন্ধিস্থলতে শোভাৰ ঢৌ ! "জিমু" চৰিত্ৰত লেখকৰ Descriptive অৰ্থাৎ বৰ্ণনা কৰিব পৰা শক্তিৰ চিনাকী, ডালিমী" চৰিত্ৰত Descriptiveness-অৰ লগে লগে Reflective আৰু creative অৰ্থাৎ চিন্তাশক্তি আৰু উদ্ভাবিকাশক্তিৰ পৰিচয়। "জিমু" চৰিত্ৰৰ চিত্ৰ যেই সেই দেশৰ লেখকৰ লেখনীতে অঙ্কিত হোৱা সম্ভৱ,—ডালিমীৰ চিত্ৰ কেৱল আধ্যাত্মিক ভাৰতবৰ্ষীয় লেখকৰ লেখনীৰ হে বিশেষ গৌৰৱ ! কাৰণ ভাৰতবৰ্ষৰ হে এই গভীৰ মধুৰ মৰ্ম্মবাণী "যো ওষধিষু যো বনস্পতিষু তস্মৈ দেৱায় নামো নমঃ।"

শ্ৰীবজ্ৰকান্ত বৰকাকতী।

---

# পুণ্য কথা।

২

এবাৰ পৱিত্ৰ ঈদৰ দিনা হজৰত আয়েছা চিদ্দিকাৰ ঘৰত সৰু সৰু ল'ৰা ছোৱালী কেইটিমান আহি "দায়েৰা" ( বাদ্যযন্ত্ৰ ) বজাই বীৰত্বসূচক কবিতা

যোৱা ২৬শ ফেব্ৰুৱাৰী তাৰিখে নগাওঁ "হেলিডে হলত" বহা অ, ভা, উ, সা, সভাৰ অধিবেশনত পঠিত।

কেইটিমান সুৰ লগাই গাবলৈ ধৰিলেহি। সেই ঘৰতে হজৰত মহম্মদো (দঃ) আছিল ; তেওঁ লৰা ছোৱালীকেইটাক একো নকৈ লাহেকৈ ঢাৰি পাটীত পৰি কাপোৰেৰে মুখখন ঢাকি একতীয়া হৈ শুই থাকিল ; এনেতে হজৰত আবুবকৰ আহি ল'ৰা ছোৱালীকিটিক ডবিয়াবলৈ ধৰিলেহি । হজৰত মহম্মদে (দঃ) মুখৰপৰা কাপোৰখন গুচাই কলে—"সিহঁতৰ বিশুদ্ধ আমোদ-প্ৰমোদত বাধা নিদিব; কিয়নো, আজি পবিত্ৰ ঈদৰ দিন।"

* * * *

বৰষুণৰ অভাৱত এবাৰ আৰব দেশত বৰ আকাল হয়। গোটেই দেশতে হাহাকাৰ লাগি পৰিল। শিষ্যমণ্ডলীয়ে হজৰত মহম্মদক (দঃ) অনুৰোধ কৰিলেগৈ যে "আপুনি যদি বৰষুণৰ বাবে প্ৰাৰ্থনা নকৰে তেনেহলে আমি সকলোটি নিগমে মৰিম এতিয়া।" হজৰতে সকলোকে লগত লৈ "ঈদগাহ"লৈ গৈ প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। এনেতে গাজি গুমৰি ধাৰসাৰে বৰষুণ দিবলৈ ধৰিলে ; বৰষুণৰ কোব দেখি শিষ্য মণ্ডলীৰ ভিতৰত কোন কেনি তিতাৰ ভয়ত পলাই সাৰিল তাৰ উৱাদিহকে নোহোৱা হল ! দেখি হজৰতে খেলখেলাই হাঁহিবলৈ ধৰিলে।

* * * *

এদিন কেজনমান সম্ভ্ৰান্ত মানুহে হজৰত ওমৰৰ লগত সাক্ষাত কৰিবলৈ আহি দেখেহি যে তেওঁ ফটা কানি-কাপোৰ পিন্ধি উট এটা খেদি লৈ ক্ৰাইছে। মানুহকিজনে সুধিলে—"হে আমিৰুল মুমেনিন, আপুনি সেইখন কি লৰা-ঢপৰা কৰি ফুৰিছে?" তেওঁ কলে—"এই উটটো সাধৰণ ভঁড়ালৰ সম্পত্তি ; ইয়াৰ ওপৰত বহুতো দুখীয়া নিচলাৰ স্বত্ব আছে। আজি ই পলাইছে দেখি ওভোতাই নিবলৈ খেদি আহিছোঁ।" তাৰে এজনে কলে—"আপুনি ইচলাম সাম্ৰাজ্যৰ সম্ৰাট, দেখোন লিগিৰা এটাক পাচিলেই হ'লহেতেন।" তেওঁ হাঁহিলে আৰু কলে—"মোতকৈ নো মোৰ আৰু আপোন লিগিৰা কোন?"

* * * *

দ্বিতীয় খালিফা হজৰত ওমৰৰ দিনত পাৰচ্যাধিপতিৰ লগত মুচলমান



সকলৰ যেতিয়া ঘোৰতৰ ৰণ সেই সময়ত হজৰত ওমৰে সদাই ৰাতিপুৱাৰ নামাজ পঢ়ি উঠিয়েই নগৰৰ বাহিৰলৈ গৈ ৰণৰ বাতৰি জানিবৰ নিমিত্তে দূতলৈ অপেক্ষা কৰি বাট চাই থাকেগৈ। এনেতে এদিন সেনাপতি ছায়াদে যুদ্ধৰ বাতৰি দি উষ্ট্ৰাৰোহী দূত এজনক নগৰলৈ পঠিয়াই দিলে। দূত আহি নগৰৰ ভিতৰ সোমাবলৈ ধৰোতেই হজৰত ওমৰে ল'ৰি গৈ চালাম দি ৰণৰ বাতৰি সুধিলে। হজৰত ওমৰৰ গাত বাদচাহী সাজ পাৰৰ একো চিন-মোকাম নেপাই দূতে তেওঁক এজন সাধাৰণ আৰব বুলি ভাবিয়েই ঠাইতে —"আল্লাহ তাআলাৰ অনুগ্ৰহত মুচলমানসকলৰ সম্পূৰ্ণ জয়" বুলি বেগেৰে উট খেদাই খলিফাৰ ওচৰলৈ যাবলৈ ধৰিলে। হজৰত ওমৰেও দূতৰ পাছে পাছে দৌ'ৰি ল'ৰি যুদ্ধৰ ইটো সিটো কথা সুধি যাবলৈ ধৰিলে। এই দৰে অলপ দূৰ যোৱাৰ পাছত নগৰৰ সকলো মানুহেই যেতিয়া দূতৰ পাছে পাছে ল'ৰি যোৱা মানুহজনক "আমিৰুল মুমেনিন" বুলি সন্মান দেখুৱবলৈ ধৰিলে তেতিয়াহে দূতৰ গাটৈ চেতনা আহিল। দূতে থপ্ কৰে উটৰপৰা নামি হজৰত ওমৰক দণ্ডৱত জনাই কম্পিত কলেবৰে কবলৈ ধৰিলে—"জাহাঁপানা, বাটৰ মুখতে চিনাকিটো দিয়া হলে অধমৰ ইমান ডাঙৰ অপৰাধটো হবলৈকে নাপায়।" হজৰত ওমৰে হাঁহি হাঁহি কলে—"তাত কি কথা আছে, তুমি নামিলা কেলৈ? বাটে বাটে গৈ থকা হলেই ভাল আছিল।" ধন্য হজৰত ওমৰৰ বিনয় মাধুৰী।

* * * *

"পয়গম্বৰ" (তত্ত্ববাহক) হোৱাৰ আগতে হজৰত মহম্মদে (দঃ) বেহা-বেপাৰ কৰিছিল। এঠাইত এদিন মানুহ এজনে তেওঁৰপৰা বস্তু অলপ ধাৰলৈ নি পাছ দিনা সেই ঠাইতে বেচ দি যাবৰ অঙ্গীকাৰ কৰি গ'ল। মানুহজনে কিন্তু সেই কথালৈ সমূলি পাহৰি গল। পাছদিনা হজৰতে নিৰ্দ্দিষ্ট সময়ত সেই ঠাইত উপস্থিত হৈ দেখে যে মানুহজন তেতিয়াও অহা নাই। সেই ঠাইতে তেওঁ লঘোনে-ভোকে মানুহজনলৈ তিন দিনলৈকে থাপ দিলে। তিন দিনৰ পাছত সেই মানুহজনৰ হঠাত্ কথাটোলৈ মনত পৰি লৰালৰিকৈ আহি চাই দেখেহি যে তেতিয়াও হজৰতে সেই ঠাইতে থাপ দিয়েই আছে ! লজ্জিত হৈ ক্ষমা প্ৰাৰ্থনা কৰি

বেচখিনি শোধাই দিলত হজৰত মহম্মদে (দঃ) কলে—"তুমি মোক বৰ ঠেকত পেলাইছিলা দেওহে; মই আজি একে লালিয়ে তিনদিনলৈকে তোমালৈ খাপ দিওঁ, চতুৰ্থ দিনাখন যে তোমাৰ মনত পৰিল এই বাবেই তোমাক ধন্যবাদ" বুলি হাঁহি হাঁহি তাৰপৰা গুচি আহিল।

* * *

হজৰত মহম্মদে (দঃ) মানুহবিলাকক উপদেশ দিয়ে যে—"কুষ্ঠৰোগী দেখিলে তোমালোকে বাঘ দেখি পলোৱাদি পলাবা।" এদিন তেওঁ নিজেই এটা কুষ্ঠৰোগীৰ লগত একেখন কাঁহীতে আহাৰ কৰিবলৈ উদ্যোগ কৰাত মানুহবিলাকে দেখি বৰ আচৰিত মানিবলৈ ধৰিলে! কুষ্ঠৰোগীজনে কলে—"হজৰত আপুনি মানুহবিলাকক——" হজৰতে বাধা দি কলে "খোৰ্ৱা, একো ভয় নাই; মই একান্ত আল্লাহ তাআলাৰ ওপৰত নিৰ্ভৰ কৰোঁ।"

এম, মোছলেহ উদ্দিন আহমদ।

---

# স্বাস্থ্য প্ৰসঙ্গ।

১

জীৱন ধাৰণ কৰিবলৈ যি যি বস্তু লাগে তাৰ ভিতৰত পানীয়েই ঘাই, এই পানীৰ দোষতে যে কতৰকমৰ বেমাৰ হয় তাক কোৱা বাহুল্য মাথোন। আসামৰ গাওঁবিলাকত ভাল পানীৰ বৰ অভাব, গতিকে সেইবিলাকত বেমাৰ-আজাৰৰ প্ৰকোপো বেছি। আমাৰ মানুহ ইমান এলেহুৱা যে নিজে অলপ পৰিশ্ৰম কৰি দ নাদ বা পুখুৰী খানি পানীৰ সুবিধা কৰি নলয়। বাৰী-চুকৰ খুবুং এটাৰ পানী;—তাতে মানুহে নামি গা ধুব, তাতে চাউল আদি ধুব, আৰু তাতে হাঁহো চৰিব! এই কুৰি শতিকাৰ সভ্যতাৰ দিনত এনে বিধৰ আচৰণে মানুহক পশুৰ শাৰীতহে পেলায়। (পানীৰ বিষয়ে বিশেষকৈ জানিব খুজিলে ৮ম বছৰৰ 'আলোচনীৰ' ৮ম সংখ্যাত ওলোৱা 'পানী' নামৰ প্ৰবন্ধ চাওক।)

* * *



নিৰ্ম্মল বায়ু আমাৰ পৰম উপকাৰী, আমি থকা ঘৰবোৰত যাতে বায়ু যাতায়াত কৰিব পাৰে তাৰ সুবিধা থকা উচিত। আমাৰ বহুত মানুহৰ (বিশেষকৈ গাৱঁলীয়া মানুহৰ) ঘৰবোৰত এই সুবিধা কিমান, কবলৈকো লাজহে লাগে। বহুতৰ ঘৰৰ ভিতৰত সোমালে দিনতে খোপ-মৰা আন্ধাৰ যেন দেখি; তাত খিলিকিৰ নাম-গোন্ধো নাই; সুন্দৰকৈ গোবৰ-মাটিৰে বেৰবোৰ লিপা; এইবোৰ আন একো নহয়, কেবল ভ্ৰম বিশ্বাস আৰু অজ্ঞানতাৰ ফল। ঘৰৰ অৱস্থা এই; ইফালে ওচৰতে গেৰেকনি আৰু ছুৱাপাতনি। সেইবোৰৰপৰা কি সুন্দৰ গোন্ধ ওলায় তাৰ ওচৰত 'এচেন্স'—আতৰেও হাৰ মানে!

* * *

বাৰীত মল-মূত্ৰৰ কাৰণে বেলেগে ঠাই ৰখা উচিত। যতে ততে সেই কাৰ্য্য কৰা বৰ বেয়া। বেলেগে নিৰ্দ্দিষ্ট ঠাই নেৰাখি যতে ততে তেনে কৰাৰপৰা বিশেষকৈ বায়ু আৰু পানী দূষিত হয়। আমাৰ বহুত মানুহৰ (বিশেষকৈ গাৱঁত) এনে এটা বেয়া দস্তুৰ আছে যে তেওঁবিলাকে পুখুৰী বা পুখুৰীলৈ পানী বৈ যাব পৰা খাল আদিৰ পাৰত তেনে কাৰ্য্য কৰে। এনে কৰাৰ ফলত কোনো কোনো গাৱঁলীয়া পুখুৰীৰ পানী জঘন্য হৈ থকা এই লিখকে নিজ চকুৰে দেখিছে।

* * *

যতে ততে এনে কাৰ্য্য নকৰি নাদ পুখুৰী আদিৰপৰা আঁতৰত দকৈ এটা গাত খানি লব লাগে আৰু তাৰপৰা দুৰ্গন্ধ নোলাবৰ কাৰণে—অন্ততঃ দুৰ্গন্ধ কমাবৰ কাৰণে—মাজে-সময়ে শুকান মাটি চটিয়াই দিব লাগে। এই গাঁতটোৰ কেইও পিনে আৰ বেৰ থকা উচিত।

* * *

সদায় নিয়মিত সময়ত আহাৰ কৰা উচিত। অসময়ত আৰু আভোকত খোৱাৰপৰা অজীৰ্ণ আদি পেটৰ বেমাৰ হয়। খোৱা বস্তুও সাৰবান (Substantial) হব লাগে। বহুতে ভাবে যে অধেমধে এসোপা খাই

write

Have